# MY EXPERIENCES AS AN ENGLISH TEACHER OF THE COLLEGE I SERVED.

**Mrigen Sarma,**
**Retd. Lecturer, J.N.Collge, Boko**

My experiences as an English teacher of the college named Jawaharlal Nehru College are still fresh in my mind. They are worth mentioning in the sense that they do make me remember my past service career at the college and what is more, my close contract with the students who were very eager to listen to my lectures with rapt attention in the classroom. Even the rowdy elements that belonged to microscopic minority sat tight in the classroom though they posed as very attentive students in the class. White delivering lectures, I often had a stern look at them so as to bring them under control. Fortunately, they made no noise in the classroom and I went an delivering lectures to the satisfaction of my mind.

It will not be out of place to mention here that I made lesson planning beforehand and then I took a class. Rarely did I take a class without lesson planning. Lesson planning is a must for a teacher who is desirous of achieving success in teaching students in a class. I did never overlook this aspect of successful teaching in a class. This enabled me to achieve success in teaching students in the class. Fluency in speaking came to me automatically and consequently the students did not feel bored, but were quite interested in listenting ti my lectures.

The students feel bored or get drowsy when the teacher fails to teach them properly. Deep knowledge of the lesson viz a poem or a prose piece or grammar is very essential on the part of a teacher to take a class effectively. In no case his or her knowledge should be deficient. A teacher fails to teach the students successfully if he or she has poor knowledge of the subject.

English as we know is a difficult subject and it is taught as a compulsory subject not only in schools but also in colleges. So the English teachers having good knowledge of the subject should be very sincere and punctual in taking classes. A teacher negligent of his or her duties and responsibilities fails to teach the students properly. Consequently the pass percentage of the students in the subject becomes very low. I was very conscious of it while teaching the students the subject. My colleagues also were not negligent of their duties and responsibilities. In fact we sailed in the same boat with the purpose of making the students learn the lessons sincerely so that they may make good result in the final examinations.

I served as a teacher not only this college, but also as many as three high schools and one more college at Sorbhog in the then district of Kamrup. In all these institutions, I was well-known as a good teacher and the students also showed no disrespect or misbehavior to me. My experience is that a teacher who teachers well earns popularity amongst the students and is loved and respected by one and all. Needless to say, a teacher should in no case, misbehave a student. Decent behaviour of a teacher towards his or her students helps him or her have personality that draws love, respect and admiration from the students. In no case, a student misbehaves a teacher if he or she is handled properly.

During my service career I found only a few students putting questions to me in the class in regard to the topic discussed. I tried my best to solve any problems faced by them in the class. Any questions from them were dealt with, by me to their satisfaction. Some teachers try to avoid the queries if they find it difficult to deal with them properly. This indirectly reveals his or her poor knowledge of the subject taught

and at the same time badly affects his or her reputation as a good teacher. A teacher should be conscious of it and try his or her best to solve any problems faced by the students in the class. If necessary, he or she may take time to find out the solution of the problems if any.

Apart from the general classes, we had to take coaching classes a few months before the final examination. Coaching classes are very important at the college level as individual attention cannot be paid to each and every student in a general class. The huge class especially the HS class was divided into several groups of about twenty five students each for the coaching class. In the coaching classes, we usually taught the students the grammar lesson included in the course. They must have a good understanding of English grammar and with this end in view, I discussed the grammatical rules on the topics selected in the course. It is to be noted that some students were very interested in English grammar . They put several questions to me for their clear understanding . I tried my best to make them understand the rules fully. In the general classes they simply listened to the lectures we delivered, but in the coaching classes, they not only listened to what we discussed, but also engaged themselves practically with pen and paper to solve any problems they faced. The written tasks were given and they tried to answer the questions on grammar. To speak frankly, the students benefited much in the coaching classes. So much importance should be given to the tutorial or coaching classes at the college level.

Needless to say, we the members of the teaching staff of the college, helped the students in the extracurricular activities including music, sport, recitation and quiz programmers every year. Proper guidance was also given to them in their cultural activities. They successfully displayed their talents in all the activities mentioned above. My experience is that a teacher should not only teach the students but also help and guide them properly in all other fields of activities. In fact they should help them build a better future and make them the proper citizens of the country . About five times, I was placed in charge of the college magazine "The Jawaharjyoti" to be published yearly. I helped and properly guided the Editor in bringing out the magazine successfully. I gained much experience in my effort to bring out he college magazine. It is worth mentioning that a teacher's duty is not only to teach the students, but also to help and guide them properly in all other activities.

During my service career, I came across a number of students who were negligent of their duties and responsibilities. In fact they were not interested in their studies and even they were not respectful of their teachers. Very often they did not attend classes at all. As a result when the examination was drawing near they failed to understand the textual matters though they went through them. Finding no other means, they resorted to copy in the examination hall and so were expelled from the examination hall . Thus they spoiled their bright future. It is to be noted that the students devoted to their studies, respectful of their teachers obedient to their guardians and disciplined in all walks of life are sure of achieving success in life.

It is to be noted that a few lucky students were elected secretaries of the students' Union of the College for a year. They undoubtedly discharged their duties and responsibilities with great efficiency. But some of them though good students, were very irregular in attending classes and even were least interested in their studies. The result was that they could not fare well in the examination and failed. Such members of the Union Body should bear in mind that they should be wholly devoted to their studies in addition to their activities as secretaries. In fact they should not neglect their studies as they are to fulfill their ambitions in life and build a better future.

I still remember my beloved students who have been serving in offices and institutions after their successful academic career. They still show proper respect to me as I happen to meet them on the road or anywhere else. Last but no least, I wish the celebration of the golden jubilee of the college on its 50th anniversary all success and hope that this institution will go on inviting the lovers of learning to it for their bright future.

❂❂❂

# স্মৃতিৰ বেদীত

ধীৰেন্দ্ৰ চৌধুৰী
প্ৰাক্তন ছাত্ৰ

(১)

মই মোৰ কলেজীয়া দিনৰ বহু স্মৃতি বুকুত বান্ধি লৈ বিচৰণ কৰি আছো। শুনিবলৈ পাইছো, মই পঢ়া কলেজখনৰ হেনো বয়স ৫০ বছৰ অতিক্ৰম হোৱাৰ উপলক্ষে সোণালী জয়ন্তী বৰ্ষ উদ্‌যাপন কৰা হ'ব। যিমানে সোণালী জয়ন্তী অনুষ্ঠান ওচৰ চাপি আহিব ধৰিছে সিমানে কলেজীয়া স্মৃতিবোৰে মোক আমনি কৰিব ধৰিছে। মোৰ কলেজীয়া দিনবোৰৰ কথাৰ মই প্ৰথমতে ক'ৰ পৰা ৰোমন্থন কৰিম, লিখিবলৈ বহি দোধোৰ-মোধোৰত পৰিছোঁ। স্মৃতিগ্ৰন্থৰ সম্পাদকে মোক উৎসাহ জনাইছে মই হেনো কিবা এটা লিখনি দিব লাগে। মই কলেজীয়া জীৱনত জে.এন কলেজৰ মুখপত্ৰ 'জৱাহৰজ্যোতি'ৰ সম্পাদক আছিলো আৰু পৰবৰ্তী সময়ত (১৯৮২-৮৩) ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক আছিলোঁ

বি. এত নামভৰ্তি হোৱাৰ তিনিমাহৰ পিছতে এন. এছ. এছৰ শিবিৰ এটি কলেজ চৌহদতে হৈছিল। তাত মই নিজে আছিলো। লগতে মদন কাকতিচাৰৰ নেতৃত্বত অইন ছাত্ৰ-ছাত্ৰী সকলো এন. এচ. এছৰ শিবিৰত একেলগে আছিল। তাত মোৰ ভনী ভৈৰৱী চৌধুৰীও আছিল। সেই বাবে শিবিৰত থকা গোটেই ছোৱালীসোপাৰে নিজৰ দাদাৰ লেখীয়া হৈ পৰিছিলো। গুৱাহাটী-গোৱালপাৰা ৩৭ নং ৰাষ্ট্ৰীয় ঘাই পথৰ পৰা মুগাখোললৈ (অৰ্থাৎ কলেজৰ পশ্চিমফালে থকা গাঁৱলীয়া ৰাস্তাটো) যাব পৰাকৈ হাবি জংঘল কাটি চাফা কৰি মানুহ খোজ কাঢ়িব পৰাকৈ সাজি উলিয়াইছিলোঁ। ধ্বজেন বড়ো, শ্ৰীগণেশ কলিতা, বিশ্ব বড়ো আৰু বহুতো ছাত্ৰৰ শাৰীৰিক শ্ৰমদানৰ মূল্য এতিয়াও ৰাইজে ভোগ কৰি আছে। এই সুবাদতে মই পৰৱৰ্ত্তী সময়ত ছাত্ৰ-ছাত্ৰীসকলৰ উৎসাহতে বিশেষকৈ ছোৱালীখিনিৰ তীব্ৰ সহযোগিতাত জে. এন. কলেজৰ সাধাৰণ সম্পাদক হ'ব লগা হয়। এই ক্ষেত্ৰত মদন কাকতি চাৰ আৰু শৰৎ তালুকদাৰৰ বিভিন্ন পৰামৰ্শ তথা সহায়-সহযোগিতাই মোক বহুগুণে উৎসাহিত কৰিছিল।

সেই সময়ত ১৯৮৬ চনত সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃত্বত অসম আন্দোলন তুংগত অৱতীৰ্ণ কৰা অৱস্থাত চৰকাৰে ১২ ফেব্ৰুৱাৰীত অবৈধ নিৰ্বাচন ঘোষণা কৰে। চৰকাৰ আঁকোৰগজ- অসমত নিৰ্বাচন পাতিবই, ছাত্ৰ সন্থাও আঁকোৰগোজ মুঠতে অসমত নিৰ্বাচন হ'ব নিদিয়ে। তেনেস্থলত বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ত সাধাৰণ সম্পাদক হিচাপে মোৰ ওপৰত কিছু দায়িত্ব আহি পৰিছিল। বকো অঞ্চলত যেনে-তেনে নিৰ্বাচন বন্ধ কৰিব লাগে। ছাত্ৰ সন্থাৰ কিছু সদস্যৰ লগত কেনেদৰে বকো অঞ্চলৰ পথবোৰ বন্ধ কৰিব পাৰি, সেই দায়িত্ব বস্তি পাঠক আৰু মোৰ ওপৰত পৰিছিল। নিৰ্বাচনৰ দিন ঘোষণা কৰা দিন ধৰি নিজৰ বিছনা এৰিব লগাত পৰিছিল পুলিচৰ ভয়ত। গোটেই অসমত জুই জ্বলিছিল। বকো থানাৰ এলেকাও ইয়াৰ ব্যতিক্ৰম নহ'ল। চমৰীয়া সত্ৰত জুই জ্বলিছিল। চাৰিওফালে হাহাকাৰ মানুহক বুজাব নোৱাৰা এটা অৱস্থা। শ্বহীদ হৈছিল গংগা কলিতা, চবিন ৰাভা, ধনবাহাদুৰ চেত্ৰী, নিখোজ হৈছিল দেৱেশ্বৰ ঠাকুৰীয়া, নিখোজ হৈছিল বালিঝাৰৰ ১৮ জনীয়া ভাই-ভনী। সেই সময়ত মই বহু দায়িত্ব ল'ব লগা হৈছিল। গুৱাহাটী ইউনিভাৰচিটি হোষ্টেলত থাকি ছাত্ৰ সন্থাৰ নেতৃত্বৰ লগত আলোচনা কৰো কি হ'ব.... এই ভাতৃঘাটি সমস্যাৰ। সেই বছৰতে সমস্যাবোৰ কিছু শাম কটাৰ এমাহ পিছত চমৰীয়াৰ দুৰ্গত লোকসকলক সহায়-সহযোগিতা আগবঢ়োৱাৰ উদ্দেশ্যেৰে অধ্যাপক মদন কাকতি, অধ্যাপক খগেন সেন ডেকাৰ নেতৃত্বত তথা অধ্যক্ষ যতীন্দ্ৰ চন্দ্ৰ নাথৰ পৰামৰ্শ মতে আমাৰ বকোৰ জে.এন কলেজৰ এন. এছ.এছ. শিবিৰৰ দায়িত্ব মই মুৰপাতি লৈ চমৰীয়া উচ্চ বুনিয়াদী বিদ্যালয়ত শিবিৰ স্থাপন কৰি পৰবৰ্তী কামৰ কাৰ্যক্ৰমণিকা আৰম্ভ কৰিছিলোঁ। চমৰীয়াত গৈ কিছু সমস্যাৰ সন্মুখীন হও যদিও আমাৰ কলেজৰ ছাত্ৰী উষা, চিত্ৰা, বিজয়া, সবিতা (চমৰীয়া) হঁতৰ সহযোগত ধ্বজেন

বড়োক লগত লৈ চৰজমিন তদন্ত কৰি ক'ত কেনেকৈ কি কৰিব লাগে সেই ধৰণে কামবোৰ আৰম্ভ কৰো। আমি তাত পুৰি যোৱা ঘৰবোৰৰ ৪৪টা ঘৰ বাঁহ, খেৰেৰে সাঁজি উলিয়াইছিলো। বাঁহ খেৰ যোগান ধৰিছিল দক্ষিণ পশ্চিম কামৰূপ ছাত্ৰ সন্থা কামঁৰূপ (বকো)ই।

(২)

জুয়ে পোৰা তিৰাশীতে ইণ্টাৰ কলেজ ফুটবল প্ৰতিযোগিতা ঢেকীয়াজুলি কলেজত জুন-জুলাই মাহত অনুষ্ঠিত হৈছিল। আকৌ টালি-টোপোলা বান্ধি আমাৰ কলেজৰ টিম সংগঠিত কৰি অধ্যাপক খগেন সেন ডেকাৰ নেতৃত্বত অধ্যাপক মদন কাকতি, হেমেন বড়ো, অশ্বিনী বড়োৰ পৰামৰ্শমতে ফুটবল দলটোক লৈ ঢেকীয়াজুলিত যথা সময়ত উপস্থিত হওঁ। তাত গৈ নলবাৰী কলেজৰ ফুটবল দলটোৰ সৈতে সন্মুখা-সন্মুখি হওঁ। এই খেলত জয়ী হৈ আমি ঢেকীয়াজুলিত থিতাপি লওঁ। এদিন পিছত তেজপুৰ কলেজৰ দলৰ সৈতে আমি আকৌ খেলোঁ। তেজপুৰ কলেজক পৰাভূত কৰিববলৈ সক্ষম হৈ কোৱাৰ্টাৰ ফাইনেলত কটনৰ লগত পৰিছিলোঁ। কটনৰ লগত খেলৰ আগত দুদিন জিৰণি । আমাৰ মাজত হাহাকাৰ। কাৰণ আমাৰ লগত হাত খৰছ বুলিববলৈ কাৰো হাতত পইচা নাই। ডেকাচাৰে কয়- আমি গোল খালে যাব পাৰো। চাৰৰ লগতো পইছা নাই। কি হ'ব ? কোনে দিব ? পইচা ক'ত পাম ? আমাৰ লগত আছিল ডিফু চৰকাৰী কলেজ। আমাৰ আলোচনা এতিয়া উপায় নাই, আমি ইয়াৰ পৰা যাব পাৰিলে হয়। ডেকাচাৰেও আমাক যিমান পাৰে সহায় কৰিছে। আমাৰ অৱস্থা দেখি ডিফু কলেজৰ অধ্যাপক কলিতা চাৰে আমাৰ সকলোৰে লগত আলোচনাত মিলিত হৈ দোভাগ ৰাতি আমাৰ দলটোক কৈছে- পইছাৰ চিন্তা বাদ দিয়া, কটনক কেনেকৈ হৰুৱাব পাৰা সেইটো চিন্তা কৰা। পইছা মই দিম। আমি কেনেকৈ বিশ্বাস কৰো কোনো দিনে লগ নোপোৱা মানুহ এজনক। ৰাতি পুৱাল, আবলি হ'ল খেলপথাৰত গ'লোঁ। আমাৰ দলটিৰ গাত সেইদিনা কি হৈছিল কব নোৱাৰো। কটনৰ দলটো কে'বাজনো ৰাজ্যিক খেলুৱৈৰে পৰিপূৰ্ণ। বীৰেন বড়ো আৰু চিতা বড়ো আমাৰ দলটিৰ ৰিজাৰ্ভৰ খেলুৱৈ। সিহঁত দুটাই হেমেন আৰু মোক কয়- আজি কটনক গল দিম, কিন্তু তেজপুৰ দেখাব লাগিব ধীৰেন দা। মই ক'লো- পইচা নাই পাগল হৈছা নেকি ? আমাৰ চকু গলত, বীৰেন বড়ো আৰু চিতা বড়োৰ চকু তেজপুৰত। পাঁচ টকা ভাড়া মাত্ৰ তাৰ পৰা তেজপুৰলৈ। খেল আৰম্ভ হ'ল। হঠাতে উত্তেজনাপূৰ্ণ খেলখনৰ গতি যতি পৰিল। হৰফুল্ল বড়োৱে খেলপথাৰ ত্যাগ কৰিব লগা হ'ল। খোজ কাঢ়িব নোৱাৰে। কি হ'ল ? মোৰ দুখো লাগিছে। এফালে ভালো লাগিছে কাৰণ তাৰ পৰা আহিব পাৰিম। তেতিয়া আমি হৰফুল্ল বড়োৰ সলনি চিতা বড়োক খেল পথাৰত নমালোঁ। উত্তেজনা পূৰ্ণ খেল। গোটেই দৰ্শকৰ হৰ্ষ-উল্লাস জে. এন. কলেজ জিন্দাবাদ। তাৰ মাজতে চিতা বড়োৱে এটি গল দিববলৈ সক্ষম হয়। সেই মুহূৰ্ততে ডিফু কলেজৰ অধ্যাপকজনে মোক এটা চৰ মাৰে। মই একো তলকিবই পৰা নোৱাৰিলো। মই সুধিছিলো মোৰ কি দোষ ছাৰ ? মোক আৰু মাৰিব খুজিছিল। ইউনিভাৰচিটিৰ অৱজাৰভাৰ পুলক লাহিড়ী চাৰৰ হস্তক্ষেপত মাৰিব নোৱাৰিলে। কিয় মাৰিলে উত্তৰ বিচৰাৰ বা উত্তৰ দিয়াৰ সময় নাই। বাকীবিলাকৰ হৰ্ষ উল্লাস, মোৰ চকুপানী। পিছত গম পালো -লাহিড়ী চাৰে কলে মোৰ দোষ ভাল খেলুৱৈ বহুৱাই দুৰ্বল খেলুৱৈ পথাৰত এৰি দিছো। মানে গল দিব পৰা খেলুৱৈ চিতা বড়োক বহুৱাই ৰাখি হৰফুল্ল বড়োক খেলিব দিছিলোঁ। ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাও সেই চাৰজন য'তেই নাথাকক ভালে কুশলে থাকক। কটনক হৰুৱাই আমি জয়ী হৈছিলোঁ। ডিফুৰ চাৰে মোক ক্ষমা খুজি পইছা ৫১০/- টকা হাতত তুলি দি মোক আৰু খেলুৱৈসৰক তেজপুৰ যোৱাৰ বাট মুকলি কৰি দিছিল। তেজপুৰৰ পৰা আহি দেখোঁ আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযতীন্দ্ৰ চন্দ্ৰ নাথ, অধ্যাপক মদন কাকতি, প্ৰসন্ন গোস্বামী আমালৈ বৈ আছিল ঢেকীয়াজলি কলেজত। আমাৰ কি যে আনন্দ লাগিছিল। তেওঁলোকে হেনো ৰেডিঅ'ত শুনিছিল আমি কটনক হৰুৱাই জয়ী হোৱাৰ খবৰ। আমাৰ বিপদ হ'ব বুলি অনুমান কৰি ঢেকীয়াজুলিত উপস্থিত হৈছিল। ছেমি ফাইনেলত তীব্ৰ প্ৰতিদ্বন্দিতা কৰি এক গোলত দুধনৈ কলেজৰ লগত পৰাজয় বৰণ কৰি ঘৰমুৱা হওঁ।

আৰু বহুতো স্মৃতি মনৰ মাজত জল-জল পট-পট হৈ ভাহি আছে। কিন্তু মোৰ লিখনি দীঘলীয়া হোৱাৰ স্বাৰ্থত আৰু স্মৃতিগ্ৰন্থখনৰ অধিকাংশ ঠাই দখল কৰিলে মিঠাৰ ঠাইত তিতাৰহে সৃষ্টি হ'ব।

সদৌ শেষত সোণালী জয়ন্তী বৰ্ষৰ এই পৱিত্ৰ ক্ষণত যিসকল স্বনামধন্য ব্যক্তিৰ প্ৰচেষ্টাত বকো অঞ্চলৰ উজ্বল ভোটাতৰা স্বৰূপ এই মানৱ সম্পদ গঢ়া অনুষ্ঠানটোৰ জন্ম হ'ল সেইসকলক শ্ৰদ্ধাৰে সুঁৱৰি মোৰ বৰ্ণনা কৰি শেষ কৰিব নোৱাৰা কলেজীয়া স্মৃতিবোৰৰ থুল-মূলকৈ সামৰণি মাৰিলোঁ।

# স্মৃতি, ঊৰ্ণনাভ জালৰ বন্দীত্ব ফালি

শৈলেশ কুমাৰ ৰাভা
বকো

১৯৭০ চনৰ কথা। তেতিয়া আমি বকো হাইস্কুলত নকৈ ভৰ্ত্তি হৈছোঁ। লক্ষ্য কৰিছিলোঁ কিছুমান শ্ৰেণীকোঠাত চিলিঙৰ পৰা দুই এটা টিনৰ বাগুল বন্ধা পেটী ওলমি আছে, য'ত পেট্ৰ'মা'ক্স লাইট ওলমাই দিব পৰাৰ সুবিধা থাকে। আক-তাক সুধি জানিব পৰিছিলোঁ যে সেইবোৰ এদিন নৈশ পাঠদানত ব্যৱহৃত আছিল। নৈশ পাঠদানৰ উদ্দেশ্য নুবুজি জিজ্ঞাসু হওঁতে গম পাওঁ যে আচলতে বকোত কিছু বছৰ আগেয়ে স্থাপন হোৱা 'জৱাহৰলাল নেহৰু মহাবিদ্যালয়'খনৰ নিৰ্মাণৰ প্ৰাক্ মুহূৰ্তত আহি পৰা পৰিস্থিতিৰ বাবেহে তেনে পাঠদানৰ প্ৰসঙ্গ আহি পৰিছিল। ইতিমধ্যে শিক্ষাবৰ্ষৰ আৰম্ভ হৈ যায়, আনফালে সম্পূৰ্ণ হৈ নুঠাত আমাৰ বিদ্যালয়তে সাময়িক পাঠদানৰ ব্যৱস্থা কৰিবলগীয়া হৈছিল। স্বল্পপাৰ্থত যিকোনো অনুষ্ঠানৰ প্ৰাৰম্ভিক ক্ষণবোৰ এনেদৰেই অংকুৰিত হয়। সেয়াই আছিল বকোৰ সেই ঐতিহাসিক মহাবিদ্যালয়ৰ জন্ম যন্ত্ৰণা। কেইগৰাকীমান শুভবুদ্ধিসম্পন্ন উচ্চাভিলাসী পুৰোধা ব্যক্তিৰ আশাসুধীয়া প্ৰচেষ্টাৰ উৎকৃষ্ট ফচল বকোৰ জৱাহৰলাল নেহৰু মহাবিদ্যালয়। সময়ত দক্ষিণ-পশ্চিম কামৰূপৰ লগতে গোৱালপাৰা জিলাৰো অৰ্দ্ধেক সামৰি লেখত ল'বলগীয়া অনুষ্ঠান হৈ পৰিল। আজি অৰ্দ্ধ শতিকা গৰকি সোণালী জয়ন্তী বৰ্ষত ভৰি দিয়া কথাটি যেন অবিশ্বাস্য। কিন্তু সেয়াই বাস্তৱ।

মোৰ আপোন গৃহৰ পৰা ৰিংমাৰি পোৱা দূৰত্বত থকা নৱ প্ৰতিষ্ঠিত মহাবিদ্যালয়খনি দ ৰ্শন কৰিবলৈ মাজে মাজে গৈ ওলাও। মনত এক অনামী শংকা থাকেই। কাৰণ, আমি হলোঁ চালুকীয়া শিক্ষাৰ্থী আৰু সেইখন হ"ল উচ্চ শিক্ষাৰ কেন্দ্ৰ। মূল গৃহটোৰ সন্মুখত আৰু সোঁফালে থকা বৃহৎ খেল পথাৰত আমাৰ দুইখন গাঁৱৰ মাজত কেতিয়াবা প্ৰীতি ফুটবল খেল অনুষ্ঠিত হয়। তেনে ক্ষণবোৰতে মহাবিদ্যালয়খনিৰ চৌহদটো পৰ্যবেক্ষণ কৰোঁ। সেই মহাবিদ্যালয়তে এদিন অধ্যয়ন কৰাৰ দুৰ্বাৰ হেঁপাহ এটা গোপনে পুহি ৰাখোঁ। ভৱনটোৰ পশ্চাৎ অংশত কিছুমান খেৰীঘৰো নিৰ্মাণ কৰিছিল, য'ত নগণ্য সংখ্যক ছাত্ৰই ছাত্ৰাবাস ৰূপে ব্যৱহাৰ কৰা মনত পৰে। কেইজনমান আৱাসীক প্ৰায়ে পিচবেলা আঢ়ৈ কিলোমিটাৰ আঁতৰৰ মূল টাউনলৈ যাৱতীয় কামত আহ-যাহ কৰা দেখিছিলোঁ। আটাইৰে পিন্ধনত শুধ বগা পায়জামা পাঞ্জাবী। তাৰ মাজৰে কিছুমানক চিনি পাওঁ যদিও নামবোৰ নেজানি উ ল্লেখ কৰিম নোৱাৰিলোঁ। আনকি তেওঁলোক আজিলৈকে অজ্ঞাতে ৰৈ গ'ল। নতুন কৈ হোৱা কলেজখনত ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপকৰ সংখ্যাও সৰহ নাছিল। তেনে পৰিৱেশৰ মাজত দেখি দেখি প্ৰায়ভাগৰে মুখ মুখস্থ হৈ গৈছিল। সিফালে, অধ্যক্ষকে ধৰি প্ৰায়খিনি অধ্যাপক আমাৰ গাঁওখনতে থিতাপি লৈছিল। গতিকে অনাকাংক্ষিত আত্মীয়তা স্ব ভাৱিক ভাৱেই প্ৰতিফলিত হৈছিল।

সেইখন মহাবিদ্যালয়ত অধ্যয়ন কৰা শৈশৱৰ সপোন সময়ত বাস্তৱায়িত নহ'ল। ইয়াৰ মুখ্য অন্তৰায় আছিল বিজ্ঞান শিক্ষাৰ অভাৱ। প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ গুৱাহাটীৰ কটন কলেজত নাম ভৰ্ত্তি কৰা হ'ল। সেই সময়ত আমাৰ সেই সৰু ঠাইৰ মহাবিদ্যালয়খনত বিজ্ঞান শিক্ষা প্ৰৱৰ্ত্তন কৰা কাৰ্যটো সিমান সহজ সাধ্য হৈ উঠা নাছিল বা তেনেধৰণৰ দাবীও উত্থাপিত হোৱা নাছিল। সেয়েহে মোৰ দৰে একেই অৰ্থ কষ্ট সহ্য কৰিও গুৱাহাটীলৈ ঢাপলি মেলিছিল। সেয়া ১৯৭৬ চনৰ কথা। শিক্ষা ব্যৱস্থাত নতুন পাঠ্যক্ৰম অন্তৰ্ভুক্ত হোৱাত প্ৰৱেশিকা পৰীক্ষাৰ ফলাফলৰ সূচাংক ধীৰে ধীৰে উৰ্দ্ধমুখী হ'বলৈ ধৰে। তাৰ লগে লগে বিজ্ঞান শিক্ষাৰ ধাৰা এটাও গা কৰি উঠে ঠিক তেনেদৰে ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰো ধাৰণা বৃদ্ধি পায়। এতিয়াতো কাঠ ফুলাৰ বৃদ্ধিকো চেৰ পেলাইছে।

শিক্ষাগ্ৰহণ কাৰ্য সম্ভৱ হৈ নুঠিলেও কলেজখনৰ সৈতে এক আত্মিক যোগসূত্ৰ বৰ্ত্তি থাকিল। ইয়াৰ কেন্দ্ৰ বিন্দু হ'ল,

এৰি যোৱা কেইজনমান নিকট হাইস্কুলীয়া সহপাঠী। সহৃদয়তাৰ অকপট তাড়নাতে কলেজখনলৈ সঘন আহ্-যাহ্ চলিছিল। সেই সময়ত কাৰ্যৰত অধ্যক্ষ শ্ৰীযুত যতীন্দ্ৰ নাথদেৱৰ লগতে অধ্যাপকবৃন্দৰ লগতো এক সৌহাৰ্যপূৰ্ণ সম্পৰ্ক থকাৰ সূত্ৰে মহাবিদ্যালয়খড়ৰ বাহিৰৰ ছাত্ৰ হোৱা সত্বেও আমাৰ ওপৰত কাৰো বিযেদগাৰ নাছিল। বৰঞ্চ ভিন্ন সময়ত আত্মিয়তাহে প্ৰতিভাত হৈছিল। সেয়েহে নিজৰ অধ্যয়নৰ পৰিধিত অৱস্থান কৰিও সুৰুঙা বুজি আমাৰ অবাধ বিচৰণ । কোনো ধৰণৰ অসৎ উদ্দেশ্য নৰখাকৈ মহাবিদ্যালয়খনত উদ্ যাপিত হোৱা সম্ভৱপৰ সাংস্কৃতিক বা বৌদ্ধিক অনুষ্ঠানবোৰত উপস্থিত থাকি আঁৰৰ ব্যক্তি হিচাপে অনুভূতি লাভৰ প্ৰয়াস কৰিছিলোঁ। যেনেকৈ আপোন ঘৰৰ ভাতৰ সোৱাদেই সুকীয়া, তেনে এক অনাবিল অনুভূতিয়ে আমাৰ মনবোৰকো পূৰ্ণতা প্ৰদান কৰিছিল।

পূজাৰ দীঘলীয়া বন্ধৰ কালচোৱাত কলেজ কৰ্তৃপক্ষৰ পৰিচালনাত চলা 'ৰাষ্ট্ৰীয় সেৱা আঁচনি" (NSS Camp)ৰ শিবিৰবোৰত মনৰ উলাহতে অস্বীকৃতিপ্ৰাপ্ত ছাত্ৰ হিচাপেই যোগদান কৰি পৰিতৃপ্তি লাভ কৰিছিলোঁ।

১৯৭৯ চন, অসম আন্দোলনৰ উকমুকনি। সদৌ অসম ছাত্ৰ সন্থাৰ উদ্যোগত আন আন ঠাইৰ দৰে বকোতো 'সদৌ অসম গণসংগ্ৰাম পৰিষদ'ৰ জন্ম হয় ১৯৭৯ চনৰ অক্টোবৰ মাহৰ কোনো এটা দিনত। তাৰেই সদস্য হৈ আমিও আন্দোলনৰ অংশীদাৰ হওঁ। দক্ষিণ-পশ্চিম কামৰূপ ছাত্ৰ সন্থা আৰু গণসংগ্ৰাম পৰিষদৰ যৌথ পৰিচালনাতে বিদেশী খেদা আন্দোলন বকোতো ভৰপক দিয়ে। উল্লেখনীয় বিষয়টো হ'ল দক্ষিণ-পশ্চিম কাৰূপ ছাত্ৰ সন্থাৰ সভাপতি আৰু সম্পাদক ক্ৰমে শ্ৰীলৱণ চন্দ্ৰ কলিতা (আৰক্ষী বিষয়া) আৰু শ্ৰীব্ৰজেন কুমাৰ তালুকদাৰ (আইনজীৱি) সেই মহাবিদ্যালয়তে অধ্যয়নৰত ছাত্ৰ তথা আমাৰ অন্যান্য বন্ধবৰ্গৰ মাজৰে একোজন। কাজেই কলেজখনৰ লগত সম্পৰ্কটো অধিক গাঢ় হৈ পৰিছিল।

মহাবিদ্যালয়খনে সোণালীজয়ন্তী বৰ্ষ উদ্‌যাপন কৰিবলৈ লোৱাৰ সময়তে এটা কথা পুনৰ অনুভৱ কৰিছোঁ। স্বাধীনতা লাভৰ মাত্ৰ ১৬টা বছৰ অতিক্ৰম কৰাৰ পিচতেই বকোৰ দৰে এখন অনুন্নত, জনজাতীয় আৱেষ্টনী প্ৰধান অঞ্চলত এয়া কেনেকৈ সম্ভৱ হ'ল। সেয়া নিশ্চয় বকোবাসী ৰাইজৰ ঐকান্তিক প্ৰচেষ্টাৰ বলতেই সম্ভৱপৰ হৈ উঠিল। প্ৰনিধানযোগ্য যে এতিয়াৰ দৰে সেইসময়ত কুটিল ৰাজনীতিৰ পংকিলতাই মানুহৰ অন্তৰত স্পৰ্শ কৰা নাছিল। স্বেচ্ছাচাৰিতা নাছিল, নাছিল দুৰ্নীতিৰ বিষাক্ত হাঁতোৰা। যিকোনো এটা অনুষ্ঠান গঢ় দিয়াৰ ক্ষেত্ৰত আদৰ্শৰ সংঘাত নোহোৱাকৈয়ে সকলো শ্ৰেণীৰ মানুহেই মাৰ বান্ধি থিয় দিছিল। তাৰেই ধনাত্মক সৃষ্টি এই জৱাহৰলাল নেহৰু মহাবিদ্যালয়, যিয়ে সাৰটি আছে এটা বিশাল চৌহদ। অদূৰ ভৱিষ্যতে আহিব পৰা ভূমি সমস্যাৰ পৰিত্ৰাণৰ ধাৰণা উপলব্ধি কৰিয়েই অগ্ৰজসকলে অধিগ্ৰহণ কৰি ৰখা ভূমিৰ কথাটোৰ বাবেই তেখেতসকল নিত্যান্তই ধন্যবাদৰ পাত্ৰ। তেতিয়া স্থাপন কৰা প্ৰাথমিক ভৱনটো ৩৭ নং ঘাইপথৰপৰা যথেষ্ট নিলগত আছিল। পিচলৈ মূল ভৱনটো পথৰ দাঁতিলৈ আগবঢ়াই অনাত স্বাভাৱিকতে এক নান্দনিক সৌন্দৰ্য প্ৰাপ্ত হৈছে। বিকাশৰ জখলা বগাই বৰ্তমান ৰূপটো সঁচাকৈয়ে প্ৰসংশনীয়। নিতে প্ৰতিষ্ঠিত হৈছে ন ন ভৱন, বিভিন্ন বিভাগ, স্থাপন হৈছে এখন মিনি ষ্টেডিয়ামো। গাতে গা লগাই সৃষ্টি হৈছে উচ্চ শিক্ষাৰ অন্য এক অত্যাৱশ্যকীয় অনুষ্ঠান বি.এড. কলেজ। এতিয়া 'কৃষ্ণকান্ত' সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰম সামৰি উচ্চ শিক্ষা বিস্তাৰৰ পদক্ষেপ গ্ৰহণ কৰা জানি নথৈ আনন্দিত।

এদিন ব্যক্তিগত ভাৱে অতিকৈ উৎসাহিত হৈ পৰিছিলোঁ, যেতিয়া কলেজৰ পাৰ্শ্ববৰ্ত্তী অঞ্চলত এখন বৰৰ উদ্যান প্ৰত্যক্ষ কৰোঁ। পিচত এই কথা জানিব পাৰি খুবেই আনন্দিত হওঁ যে সেয়া কৰ্তৃপক্ষৰ পৰিচালনাতে গঢ়ি উঠিছে। এনেকুৱা মহান উদ্যোগ ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত কৰ্ম প্ৰেৰণাৰ উৎকৃষ্ট দৃষ্টান্ত হ'ব পাৰে। কলেজখনৰ আন্তঃগাঁঠনি আৰু অন্যান্য দিশবোৰৰ ততোধিক বিকাশৰ ক্ষেত্ৰত পৰিচালনাৰ বিস্তৃত তথ্য স্মৰণিকাৰ পাততে আলোকপাত হ'ব বুলি আশা ৰাখিলোঁ।

পুৰণা দিনবোৰৰ কথা মনত পেলালেই স্মৃতিৰ পৰ্দাত উদ্ভাসিত হয় ভালেখিনি শিক্ষাগুৰু, ছাত্ৰ-ছাত্ৰী আৰু কৰ্মচাৰীৰ মুখৰ ছবি। তাৰ মাজৰে দুই এজন ইতিমধ্যে অনন্ত ধামলৈ গতি কৰিছে। মনত পৰে পুৰ্বে উনুকিয়ওৱা অধ্যক্ষ শ্ৰীযতীন্দ্ৰ নাথদেৱলৈ। বকো অঞ্চলৰ প্ৰতিখন সভা-সমিতিতে তেখেতৰ অংশগ্ৰহণ আছিল স্বতঃস্ফুৰ্ত। তেখেতৰ হাতৰ সুন্দৰ স্বাক্ষৰটি এতিয়াও মানস পটত জিলিকি আছে। এজন গতিশীল শিক্ষক স্বৰ্গীয় মদন কাকতিদেৱক স্মৰণ কৰিবই লাগিব। এটা সময়ত বকো অঞ্চলত হোৱা যিকোনো সামাজিক অনুষ্ঠানত তেখেতৰ উপস্থিতি আৰু সক্ৰিয়তা অৱধাৰিত আছিল। কিন্তু পিচলৈ কিবা কাৰণত তেখেতৰ সেই সক্ৰিয়তা বাৰুকৈ নিস্তেজ হৈ পৰিল। বিভিন্ন সময়ত নানা পৰামৰ্শৰে আমাক অনুপ্ৰাণিত কৰি ৰখা সন্মানীয় দিলীপ দাস, বসন্ত কুমাৰ দত্ত আৰু দীৰ্ঘকায়ী শৰীৰৰ

দ্বিজেন দাস, চাৰ সকলৰ নাম ল'বই লাগিব। একেদৰে সৌহাৰ্যপূৰ্ণ সম্পৰ্ক ৰক্ষা কৰিছিলোঁ দেৱেন শৰ্মা, দিনেশ শৰ্মা, লক্ষীকান্ত শৰ্মা আদি চাৰ সকলৰ লগতো । অসমৰ এজন প্ৰখ্যাত ৰাজনৈতিক বিষেষজ্ঞ সুনীল পৱন বৰুৱাদেৱে কিছু বছৰ এইখন মহাবিদ্যালয়তে অধ্যাপনা কৰিছিল। সেইদিনবোৰত অধ্যক্ষৰ লগতে বাকী শিক্ষকসকলেও বাইচাইকেলেৰে কলেজলৈ অহা-যোৱা কৰিছিল। ছাত্ৰ-ছাত্ৰীসকলে পদব্ৰজে জাকপাতি অথবা সুবিধাবুজি বাছত গৈ ক্লাছ কৰিছিল। এতিয়াৰ প্ৰতিচ্ছবি সম্পূৰ্ণ বিপৰীত হৈ গ'ল, যাক ব্যক্ত কৰি লাভ নাই।

কৰ্ম সন্ধানৰ তাগিদাত জন্মস্থানৰ পৰা বহু দূৰৈত অৱস্থান কৰিবলগীয়া হোৱাত মহাবিদ্যালয়খনিৰ সৈতে প্ৰত্যক্ষভাৱে জড়িত ভালেখিনি ব্যক্তিৰ সৈতে যোগাযোগ বিচ্ছিন্ন হৈ পৰিলেও হৃদয় দাপোণত স্মৃতিৰে সোণ ৰেণু প্ৰতিবিম্বিত হয় সঘনে। তেতিয়া নাষ্টালজিয়াত আক্ৰান্ত মনে খুপি খুপি সোমাই পৰে শামুকৰ খোলাৰ ভিতৰত। ভাৱনাৰ জীয়া এলবামখনি মেলি ললেই ভাহি আহে চিনা-অচিনা অনেক মুখ। তাৰ মাজৰ কোনোবাজন সুহৃদ, কোনোবাজন শ্ৰদ্ধাৰ অগ্ৰজ অথবা চেনেহৰ অনুজ। পোণতে নাম লওঁ অগ্ৰজ ড০ কমল ঠাকুৰীয়াদেৱক, যি এজন সঙ্গীত সাধক, চিত্ৰ শিল্পী হিচাপে সমাদৃত। তেখেতৰ সাহিত্যৰ ক্ষেত্ৰতো বিশেষ দখল আছে। এৰি অহা দিনবোৰত তেখেতৰ মধুৰ সান্নিধ্য এতিয়াও মোৰ অন্তৰৰ কোঁহে কোঁহে লাগি আছে। আন এজন মৰমৰ অনুজ সাহিত্য কৰ্মী ড০ ললিত চন্দ্ৰ ৰাভা, যিজনৰ অনুৰোধতে এইখিনি লিখিবলৈ অৱকাশ পাইছোঁ। তেখেতলৈ মোৰ কৃতজ্ঞতা থাকিল। একেদৰে প্ৰশাসনিক দায়িত্ব পালন কৰ্তা গায়ন শিল্পী শ্ৰদ্ধাৰ শ্ৰীপ্ৰদীপ কুমাৰ দাস। তাৰোপৰি আত্মিয়তাৰ ডোলেৰে বান্ধ খাই থকা ভালেখিনি 'ঘ' বৰ্গৰ কৰ্মচাৰীও আছে, তেওঁলোককো স্মৰণ কৰিছোঁ। এইদৰেই সময়ৰ দোলনাত ওলমি অনেকজন আহিব আৰু তাৰ মাজৰে কোনোবাজন হয়তো বিস্মৃতিৰ অতল গহ্বৰত সৰি পৰিব। সেয়াই প্ৰকৃত সত্য, এক শাশ্বত যাত্ৰা।

২০১২ চনৰ নবেম্বৰ মাহৰ এদিন পিছবেলা, বাইকখন লৈ ঘৰৰ বাহিৰ হৈছোঁ, স্বতঃস্ফূৰ্তভাৱে বাইকৰ চকা আগবাঢ়িল মহাবিদ্যালয়খনৰ দিশে। উন্মুক্ত নঙলা অতিক্ৰমি ক'ব নোৱাৰাকৈয়ে একেবাৰে পৰিসৰৰ মাজলৈ সোমাই গলোঁ। চাৰিওপলে দৃষ্টি নিক্ষেপ কৰি পৰিবৰ্ত্তনৰ জোৱাৰ দেখি আপ্লুত হৈ পৰিলোঁ। এনেকুৱা ভাৱ উদয় হ'ল - এয়াই সেই তাহানিৰ মহাবিদ্যালয়খনে ? বিকাশৰ চাপ বগাই দেখোন এখন বিশ্ববিদ্যালয়ৰ ৰূপ প্ৰদৰ্শন কৰিছে। হৃদয়ত অনুভূত হোৱা তেনে এক উপলব্ধি এদিন যেন বাস্তৱত পৰিণত হয় তাকেই কামনা কৰিছোঁ। সৰ্বাঙ্গীন উন্নতিৰ স্বাৰ্থত শৈক্ষিকমহলৰ লগতে পৰিচালনা সমিতিয়ে আপোচ নকৰিলে ভৱিষ্যত অসম তথা ভাৰতৰ বাচকবনীয়া শিক্ষানুষ্ঠানৰূপে পৰিচয় দিব পাৰিব।

কোৱা হয়, কামৰ জোখেৰেহে মানুহৰ বয়স লেখা হয়। শিক্ষানুষ্ঠানখনৰ সগৌৰৱে ধ্বজাৰ তলত স্বমহিমাৰে মহিমামণ্ডিত হৈ উত্থিত বুকুৰে থিয় হ'ব পৰা ব্যক্তিৰ পৰিসংখ্যাই সোণালী জয়ন্তী উদ্‌যাপনৰ সাৰ্থকতা প্ৰতিপন্ন কৰিব। প্ৰতিজন শিক্ষক আৰু শিকাৰুৰ লক্ষ্য হ'ব লাগিব প্ৰতিভা সৃষ্টি আৰু প্ৰতিভাধৰ হোৱাৰ গভীৰ স্বপ্ন।

জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকো তমোহৰ হৈ জ্ঞান আলোকেৰ উদ্ভাতি হওঁক, তাকেই ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনালোঁ। পৰিশেহত, সোণালী জয়ন্তী বৰ্ষৰ মহান সন্ধিক্ষণত শৈক্ষিক প্ৰতিষ্ঠানৰ সৈতে সাঙোৰ খাই থকা জ্ঞাত-অজ্ঞাত সদৌটিলৈ আন্তৰিক শুভেচ্ছা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

# জাতীয় সেৱা আঁচনিৰ দিনলিপি

**ভাৰত চৌধুৰী**

প্ৰাক্তন ছাত্ৰ, জে. এন. কলেজ, বকো

১৯৭৬ চনত আমি জৱাহৰলাল নেহৰু মহাবিদ্যালয়ত ছাত্ৰ হিচাপে নাম ভৰ্ত্তি কৰোঁ। ১৯৭৬-৭৭-৭৮ এই বছৰ কেইটি আমাৰ বাবে আছিল সোণালী বছৰ। কেৱল শ্ৰেণীকোঠাতে আৱদ্ধ নাথাকি উৎসাহ-উদ্দীপনা, হাঁহি আনন্দৰে ইতিবাচক চিন্তা কৰি মহাবিদ্যালয়ৰ অভাৱ পূৰণ কৰিবলৈ আমি ভ্ৰাম্যমান থিয়েটাৰ (কহিনুৰ আৰু নটৰাজ মহিলা নাট্যদল) দল আমন্ত্ৰণ কৰিছিলোঁ।

যি কি নহওঁক, ১৯৭৬ চনৰ কথা। এদিন মাননীয় প্ৰয়াত মদন কাকতি চাৰে মোক লগ পাই ক'লে যে ভাৰত আহা ১৭/১০/৭৬ ইং তাৰিখৰ পৰা ১৯/১০/৭৬ ইং তাৰিখলৈ বি.পি. চলিহা মহাবিদ্যালয়, নগৰবেৰাত এন. এছ. এছ'ৰ কেম্প এটি হ'ব। তুমি ওলাবা। মইয়ো হ'ব বুলি সঁহাৰি দিলো। বোধহয় আমাৰ দিনতেই প্ৰথম এন. এছ. এছ. কেম্প আৰম্ভ কৰা হয়। যোৱাৰ কেইদিনমান আগতে অধ্যক্ষ যতীন্দ্ৰ চন্দ্ৰ নাথ চাৰে অভিভাৱকসকলক অনুৰোধ কৰি এখন চিঠি লিখিছিল যে তেওঁলোকৰ ছোৱালীক নগৰবেৰা কলেজত অনুষ্ঠিত হ'ব লগীয়া এন. এছ. এছ কেম্পত যোগদান কৰিব দিব লাগে। প্ৰাক্তন সাধাৰণ সম্পাদক শ্ৰীমহৎ বায়ন আৰু আমি কেইজনমান ছাত্ৰই ধূপধৰাৰ ছাত্ৰীসকলৰ ঘৰে ঘৰে অধ্যক্ষৰ চিঠিখন লৈ গৈছিলো যদিও সঁহাৰি পোৱা নগ'ল। ৰাতি বান্ধৱী তিলোত্তমা দাসৰ ঘৰত থাকি পিছদিনা কলেজত উপস্থিত হওঁ।

১০/১০/৭৬ ইং তাৰিখ ৰবিবাৰে দিনৰ ১০-৩০ বজাত আমি জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকোৰ পৰা ভাৰপ্ৰাপ্ত অধ্যাপক মাননীয় মদন কাকতি চাৰৰ তত্ত্বাৱধানত ৩০ জন ছাত্ৰই বি.পি. চলিহা কলেজ, নগৰবেৰাত দহদিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা জাতীয় সেৱা আঁচনি শিবিৰত অংশ গ্ৰহণ কৰিবলৈ নগৰবেৰাৰ বাছেৰে যাত্ৰা কৰোঁ। আবেলি ১-৪৫ বজাত নগৰবেৰা কলেজত উপস্থিত হওঁ আৰু নিজৰ নিজৰ থকা কোঠাত বিচনা-পত্ৰবোৰ ঠিক কৰি উঠি ২ বজাত চাহ খাওঁ। কিছুসময় পিছত দুধনৈ কলেজৰ পৰা ৩০ জনীয়া দলটিৰ সৈতে ভাৰপ্ৰাপ্ত অধ্যাপক বাঠৌ চাৰ আহি পায়। নগৰবেৰা কলেজৰ ৭৫ জন ছাত্ৰ-ছাত্ৰীও অংশগ্ৰহণ কৰে। সন্ধিয়া ৬-৩০ বজাত নগৰবেৰা কলেজৰ অধ্যক্ষ মাননীয় প্ৰয়াত দেৱপ্ৰসাদ শইকীয়া চাৰৰ সভাপতিত্বত সভা আৰম্ভ হয়। তেখেতে বকো, দুধনৈ আৰু নগৰবেৰা কলেজৰ ভাৰপ্ৰাপ্ত অধ্যাপক আৰু ছাত্ৰসকলক আদৰণি জনায়। গুৱাহাটী বিশ্ববিদ্যালয়ৰ দ্বাৰা আয়োজন কৰা জাতীয় সেৱা আঁচনি অৰ্থাৎ National Service Scheme চমুকৈ NSS শিবিৰৰ উদ্দেশ্যৰ বিষয়ে বহলাই কয়। জাতীয় আঁচনিৰ উদ্দেশ্য হ'ল- অনুন্নত গাঁৱলীয়া ৰাইজৰ অসুবিধাবোৰ দূৰ কৰি তেওঁলোকৰ কল্যাণ সাধন কৰা। শিবিৰৰ দহদিনীয়া কাৰ্যসূচী পাঠ কৰাৰ লগতে এই কেইদিনত যি কাম কৰা হ'ল, তাত তেওঁ তিনিখন কলেজৰ অধ্যাপক, ছাত্ৰ কেডেট বন্ধুসকলৰ পৰা পূৰ্ণ সহায়-সহযোগ কামনা কৰে । কাম-কাজবোৰ সুচাৰু ৰূপে চলাই নিবলৈ দহজনীয়া দল গঠন কৰি একোজন দল পৰিচালক বাছি দিয়ে। আমাৰ দলৰ দলপতি আছিল বন্ধুবৰ চামাদ আলি। সভাৰ সামৰণিত সভাপতিয়ে নিশাৰ বাবে অহাৰ গ্ৰহণ কৰিবলৈ অনুৰোধ কৰি সকলোটিলৈকে শুভৰাত্ৰি জনাই বিদায় দিয়ে।

১১/১০/৭৬ ইং তাৰিখ সোমবাৰে ৰাতিপুৱা ৮ বজাত শিমলীতোলা হাইস্কুলৰ প্ৰধান শিক্ষক মাননীয় খগেন্দ্ৰ পাঠকদেৱে জাতীয় সেৱা আঁচনিৰ শিবিৰৰ পতাকা উত্তোলন কৰে। ভাষণত এই শিবিৰৰ উদ্দেশ্য আৰু সমাজৰ লাভালাভৰ বিষয়ে বহলাই কয়। এই পতাকাৰ তলত আমি ঐক্যবদ্ধ হৈ শিবিৰৰ আঁচনি সফল কৰিবলৈ শপত গ্ৰহণ কৰোঁ। ৯-৩০ বজাত শাৰীপাতি গৈ পিজুপাৰা গাঁৱত উপস্থিত হওঁ। উক্ত গাঁৱৰ পুথিভঁৰালৰ যুৱক সংঘই "প্ৰবীন কুমাৰ চৌধুৰীৰ নামেৰে

নামকৰণ কৰা পিজু পাৰা গাঁৱৰ পৰা দক্ষিণে হৰিডোবালৈ যোৱা নতুন ৰাস্তাৰ সন্মুখত তোৰণ সাজি আমাক স্বাগতম জনায়। তোৰণৰ ফিটা কাটে খগেন্দ্ৰ পাঠকদেৱে। হৰিডোবা গাঁওখনত বৰ্তমানৰ বিধায়ক সেই সময়ত শিবিৰত অংশগ্ৰহণ কৰা নগৰবেৰা কলেজৰ ছাত্ৰ শ্ৰীগোপীনাথ দাসৰ ঘৰ আছিল।

হৰিডোবা গাঁৱৰ প্ৰাথমিক বিদ্যালয়ত উপস্থিত হৈ প্ৰত্যেক দলে জৰীপ কাৰ্য আৰম্ভ কৰে। গাওঁখনত জৰীপ কৰি বুজি পোৱা গ'ল প্ৰতিঘৰ মানুহেই অৰ্থনৈতিক আৰু শিক্ষাৰ ক্ষেত্ৰত বহু পিছ পৰা। বছৰি যি আয় হয় সেইখিনিৰে ভালদৰে চলিব নোৱাৰে। সমস্যাবোৰ বুজ লৈ চৰকাৰৰ পৰা কেনেকৈ ঋণ আদি পাব পাৰে, কিয় পৰিয়াল পৰিল্পনা কৰিব লাগে শিক্ষাৰ কিয় আৱশ্যক ইত্যাদি কথাবোৰ বুজাই দিয়া হয়। জৰীপ শেষ কৰি আমি প্ৰয়াত ধীৰেন কলিতা, চামাদ আলি, দধীমোহন মজুমদাৰ, গণেশ সিং ৰাভা, অৰ্জুন বড়ো, আইনাল হক, সতীশ ৰাভা, নৰ ঠাকুৰীয়া, ভৰেন ঠাকুৰীয়া, মহৎ চন্দ্ৰ বায়ন, পুৰুষোত্তম সাহা, ভবানী দাস, বনমালী দাস, মহেশ দাস আদি কৰি আমাৰ কলেজৰ ছাত্ৰসকল শিবিৰলৈ ঘূৰি আহি দুপৰীয়াৰ আহাৰ খাই জিৰণি লওঁ।

আবেলি ৪-৩০ বজাত অধ্যক্ষ দেৱপ্ৰসাদ শইকীয়া চাৰৰ সভাপতিত্বত জৰীপ কাৰ্যৰ ওপৰত আলোচনা আৰম্ভ হয়। দলপতিসকলে নিজৰ নিজৰ প্ৰতিবেদন পাঠ কৰে আৰু কেইজনমানে নিজাকৈও জৰীপ কাৰ্যৰ বৰ্ণনা কৰে। মাজতে মোক এটি গীত গাবলৈ কয়। ৰাতি ৮-৩০ বজাত আলোচনা সভাৰ সামৰণি পৰে।

১২/১০/৭৬ ই তাৰিখ মঙ্গলবাৰে ৰাতিপুৱা ৮ বজাত পিজুপাৰাৰ পৰা হৰিডোবালৈ যোৱা পথটোৰ কাম আৰম্ভ কৰোঁ। এই পথটো নিৰ্মাণ কাৰ্যত নগৰবেৰা কলেজৰ ছাত্ৰ-ছাত্ৰীসকলেও সহযোগ কৰে। গধূলি ৫-৩০বজাত নগৰবেৰা কলেজৰ অধ্যক্ষৰ সভাপতিত্বত আলোচনা অনুষ্ঠিত হয়। এটা গীত গাও আৰু বন্ধুবৰ বীৰেন কলিতাই তবলা বজাই সহায় কৰে। সভাত শিক্ষা সম্প্ৰসাৰণ বিষয়া মান্যবৰ বসন্ত গোস্বামীদেৱে নিৰক্ষৰতা দূৰিকৰণৰ বিষয়ে বহলাই ব্যাখ্য কৰে। ৰাতি আলোচনা সভা শেষ হোৱাৰ পিছত ভাত খাই নিজৰ কোঠাত শুই পৰোঁ।

১৩/১০/৭৬ ইং বুধবাৰ ঃ ৰাতিপুৱা ৭-৩০ বজাত ৪৮ নং বিধান সভা সমষ্টিৰ প্ৰাক্তন বিধায়ক প্ৰয়াত প্ৰবীন কুমাৰ চৌধুৰী নামকৰণ কৰা পথটোত মাটি দিয়া কাম কৰো। নিৰ্দিষ্ট কৰি দি ঠাইখিনি পূৰ কৰি উঠি শিবিৰলৈ উভতি আহোঁ। আবেলি ৪-৩০ বজাত নগৰবেৰা হাইস্কুল খেলপথাৰত আমাৰ কলেজ আৰু দূধনৈ কলেজৰ মাজত প্ৰীতি ফুট বল খেল হয়। উক্ত খেল ময়ো খেলিবলৈ পাইছিলোঁ। খেলখন ১-১ গলত ড্ৰ হয়। সন্ধিয়া ৬-০০ বজাত আলোচনা চক্ৰ। সভাপতি আছিল মাননীয় মহেশ মেধীদেৱ। এই আলোচনাত যৌতুক প্ৰথা আৰু দুৰ্নীতিৰ বিৰুদ্ধে প্ৰতিৰোধ কৰাৰ ওপৰত গুৰুত্ব দিয়া হৈছিল। নগৰবেৰা কলেজৰ ছাত্ৰ এজনে লোকগীত পৰিৱেশন কৰে আৰু ময়ো গীত এটি গাওঁ। নিশা আলোচনাৰ শেষত আহাৰ গ্ৰহণ কৰি শুই থাকো।

১৪/১০/৭৬ ইং বৃহস্পতিবাৰ ঃ ৰাতিপুৱা প্ৰাতঃ কৰ্ম শেষ কৰি উঠি তিনিখন কলেজৰ ছাত্ৰসকলে চাহ খাবলৈ অসন্মত হওঁ। পৰিশ্ৰম অনুসৰি আমাক উপযুক্ত খাদ্য দিব পৰা নাছিল। পিছত আলোচনা কৰি সমাধান সূত্ৰ উলিওৱা হয়। ৮ বজাত হৰিডোবালৈ যোৱা পথটোৰ মাটি দিয়া কাম কৰোঁগৈ। দিনৰ ১ বজাত ঘূৰি আহি ভাত খাই জিৰণি লওঁ।

আবেলি ৪ বজাত আমাৰ কলেজৰ ছাত্ৰসকলে পৰিৱেশন কৰা সমবেত গীত এটিৰে সভাৰ কাম আৰম্ভ কৰা হয়। সভাপতি আছিল বিধান সভাৰ সদস্য কন্দৰ্প কুমাৰ দাসদেৱ। জিলা বিষয়া গুৱাহাটীৰ তাৰিণীচৰণ ছোৱালী হাইস্কুলৰ প্ৰধান শিক্ষয়িত্ৰী, মীন মন্ত্ৰী, কেইবাজনো বিশিষ্ট অতিথিৰ উপস্থিতিয়ে সভাৰ সৌষ্ঠৱ বঢ়াইছিল। ৰাতি ৮-৩০ বজাত ছায়াচিত্ৰ প্ৰদৰ্শন কৰা হৈছিল।

১৫/১০/৭৬ ইং তাৰিখে ৰাতিপুৱাৰ কাম শেষ কৰি ৮-৩০ বজাত প্ৰবীন কুমাৰ চৌধুৰী পথটোৰ কাম তিনিওখন কলেজৰ ছাত্ৰসকলে মিলি সম্পূৰ্ণ কৰো। দুপৰীয়া ১-০০ বজাত আহাৰ গ্ৰহণ কৰি জিৰণি লওঁ।

আবেলি ৪-৩০ বজাত নগৰবেৰা হাইস্কুলৰ খেল পথাৰত আমাৰ কলেজৰ আৰু নগৰবেৰা কলেজৰ মাজত প্ৰীতি ফুটবল খেল অনুষ্ঠিত হয়। আমি নগৰবেৰা কলেজক ৩-০ গলত পৰাস্ত কৰো। সন্ধিয়া ৭-৩০ বজাত কেশৱ ঠাকুৰীয়াদেৱৰ সভাপতিত্বত সভা আৰম্ভ হয়। চৰকাৰী পশু পালন বিষয়া এজনে পশু পালন সম্পৰ্কে বুজাই যায়। শেষত সভাপতিৰ ভাষণেৰে সভাখন অন্ত পৰে।

১৬/১০/৭৬ ইং ৰাতিপুৱা চাহ খোৱা শেষ কৰি ৮ বজাত পুখৰীপাৰা গাঁৱৰ ৰাস্তাৰ কাষত চাৰিওফালে হাবি জংঘলেৰে আবৰি থকা আহোম ৰজাৰ দিনৰ বৃহৎ পুখুৰীটো গীত গাই

গাই তিনিওখন কলেজৰ ছাত্ৰই হাবি জংঘল কাটি চাফা কৰি দিয়াত পুখুৰীটোৰ বেলেগ এটা সৌন্দৰ্য ফুটি উঠে। তাকে দেকি আমি আনন্দত আত্মহাৰা হৈ পৰে। প্ৰত্যেক জন ছাত্ৰই শ্ৰমৰ কি মাদকতা তাক যেন আজি বুজিব পাৰিছোঁ।

আবেলি ৪-৩০ বজাত আগৰ খেল পথাৰত নগৰবেৰা আৰু দুধনৈ কলেজৰ মাজত অনুষ্ঠিত ফুটবল খেল উপভোগ কৰোঁ। সন্ধিয়া ছায়াচিত্ৰ চাওঁ। আজি শিৱিৰত কোনো আলোচনা চক্ৰ নহ'ল।

১৭/১০/৭৬ ইং ৰবিবাৰ ঃ আজি তিনিওখন কলেজৰ অধ্যাপক আৰু ছাত্ৰ মিলি কালুবাৰী শঙ্কৰদেৱ এম. ই. স্কুললৈ পদব্ৰজে যাত্ৰা কৰো।। দিনৰ ১০-০০ বজাত উক্ত স্কুলৰ প্ৰধান শিক্ষকৰ সভাপতিত্বত NSS-অৰ মহৎ উদ্দেশ্যৰ বিষয়ে বিস্তৃত আলোচনা কৰা হয়। এইখন সভাত শিক্ষক, ছাত্ৰ-ছাত্ৰী ৰাইজৰ উপস্থিতি প্ৰশংসনীয় । দিনৰ ১২-০০ বজাত শিৱিৰলৈ ঘূৰি আহি দুপৰীয়াৰ আহাৰ খাই জিৰণি লওঁ। সন্ধিয়া শিৱিৰত সাংস্কৃতিক অনুষ্ঠানত তিনিওখন কলেজৰ ছাত্ৰ-অধ্যাপকে অংশগ্ৰহণ কৰে। বিশেষকৈ দুধনৈ কলেজৰ অধ্যাপক বাঠৌ চাৰে গীতাৰৰ সুৰেৰে আনন্দ দিয়ে। ৰাতিৰ আহাৰ গ্ৰহণৰ পিছত টোপনি মাৰোঁ।

১৮/১০/২০৭৬ ইং সোমবাৰ ঃ নগৰবেৰা কলেজ চৌহদ চাফা কৰোঁ।

১৯/১০/৭৬ ইং তাৰিখ মঙ্গলবাৰৰ বাবে শিৱিৰ সামৰণি অনুষ্ঠানৰ বাবে যাবতীয় প্ৰস্তুতি চলোৱা হয়। তাৰ ভিতৰত মঞ্চ সজা, শ্ৰোতাদৰ্শকক ভালদৰে বহিব পৰা ব্যৱস্থা, গ্ৰীণৰুম ঠিক কৰা ইত্যাদি ইত্যাদি। প্ৰয়োজনীয় কামবোৰ শেষ কৰি দুপৰীয়াৰ আহাৰ খাই জিৰণি লওঁ।

সন্ধিয়া তিনিওখন কলেজৰ অধ্যাপক আৰু ছাত্ৰসকল সভাগৃহত মিলিত হওঁ। আজি আলোচনা নাই। গীত, কৌতুক, কবিতা আবৃতি বিশেষকৈ নগৰবেৰা কলেজৰ অধ্যাপক আৰু জনতা দলৰ প্ৰাক্তন বিধায়ক উমেশ দাস চাৰে এটি খুহুটিয়া গীত 'জৰি টানি নাদৰ পানী তোল ছাগল মুৰা' (তবলা বজাই উমেশ দেৱে)। গীতটিৰে সভাগৃহত হাঁহিৰ খলকনি তুলিছিল। এইদৰে আনন্দৰ মাজেৰে অনুষ্ঠানটি সামৰণি পৰিছিল।

১৯/১০/৭৬ ইং তাৰিখ ৰাতিপুৱা নিত্য কৰ্ম শেষ কৰি চাহ খাওঁ। আজি যেন আমাৰ সকলোৰে মনবোৰ গধুৰ আৰু ভাগৰ লাগিছে, এনেকুৱা অনুভৱ সকলোৰে মুখত ফুটি উঠিছে। কিয়নো এই কেইদিনত হাঁহি আনন্দৰে সময়বোৰ কেনেকৈ পাৰ হৈ গ'ল ধৰিবই নোৱাৰিলোঁ। কাইলৈ নিজৰ নিজৰ ঠাইলৈ ঘূৰি যাম। ইয়াকে ভাৱি আটাইৰে যেন দুখ লাগিছে। তথাপি আমি উদ্দেশ্যৰে সামৰণি দিনটোৰ বাবে নগৰবেৰা কলেজ চৌহদ পৰিষ্কাৰ কৰোঁ। দুপৰীয়া আহাৰ গ্ৰহণ কৰ উঠিয়ে ২-০০ বজাত সভাগৃহত সকলোৰে মিলিত হওঁ। নগৰবেৰা কলেজৰ অধ্যক্ষ দেৱপ্ৰসাদ শইকীয়া চাৰৰ সভাপতিত্বত NSS শিৱিৰত শ্ৰমদান কৰি যি আদৰ্শ আৰু কৃতিত্ব দেখুৱালে তাৰ বাবে ধন্যবাদ জনায়। শিৱিৰ পৰিচালনাত হোৱা ক্ৰুটিৰ বাবে মাৰ্জনা বিচাৰি পুনঃ ধন্যবাদ আৰু শুভেচ্ছা জনায়। শেষত তিনিওখন কলেজৰ ছাত্ৰসকলক একোখন শিৱিৰত অংশগ্ৰহণ কৰাৰ প্ৰমাণ পত্ৰ দিয়ে। আমাৰ মহাবিদ্যালয় Best Barrack Maintaining College আৰু মোক best Cadet ৰূপে প্ৰমাণ পত্ৰ প্ৰদান কৰি সভাপতিদেৱে শুভেচ্ছা জনায়। আজি ভাৰপ্ৰাপ্ত অধ্যাপকসকলেও শিৱিৰ চলি থকা কেইদিনৰ অভিজ্ঞতা ব্যক্ত কৰি ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন জনায়। সদৌ শেষত সভাপতিদেৱে শুভেচ্ছা আৰু ধন্যবাদ জ্ঞাপন কৰি বিদায় সম্ভাষণ জনাই সভা শেষ বুলি ঘোষণা কৰে।

সন্ধিয়া যথা সময়ত সামৰণি শিৱিৰৰ সাংস্কৃতিক অনুষ্ঠান আৰম্ভ হয়। দুধনৈ আৰু নগৰবেৰা কলেজে এই অনুষ্ঠানত অংশ গ্ৰহণ কৰে। আমাৰ কলেজৰ হৈ ময়ো গীত পৰিৱেশন কৰো। গুৱাহাটীৰ পৰা অহা এটি সাংস্কৃতিক দলেও গীত-মাত পৰিৱেশন কৰি শ্ৰোতা দৰ্শকক মুগ্ধ কৰে।

পিছদিনা ২০/১০/৭৬ ইং বুধবাৰে পুৱাৰ চাহকাপ খাই উঠি বেডিং পত্ৰ ঠিক কৰি, মোৰ বাদ্য যন্ত্ৰ চম্ভালি লৈ নগৰবেৰা বাছেৰে আমি আটায়ে ঘৰলৈ যাত্ৰা কৰো।

নগৰবেৰাত NSS কেম্প হৈ যোৱাৰ পিছত আমাৰ কলেজতো NSS কেম্প অনুষ্ঠিত হৈছিল। মদন কাকতি ছাৰৰ তত্বাৱধানত আমি মহাবিদ্যালয় চৌহদত এটি পুখুৰী নিৰ্মাণ, খেল পথাৰখনত মাটি সমান কৰি খেলৰ উপযোগী কৰা হৈছিল। কলেজৰ সন্মুখৰ ফালে (বৰ্তমান শ্বহীদ বেদী থকা) ঠাইখিনি আনাৰস আৰু কল বাগানখনো চাফ-চিকুণ কৰি দেখনিয়াৰ কৰি তোলা হৈছিল। এই শিৱিৰত অংশগ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীৰ যিসকলৰ নাম মনত পৰিছে সেইসকল হ'ল- দধীমোহন মজুমদাৰ, গণেশ সিং ৰাভা, বিষয় ৰাভা, চামাদ আলী, তাৰিণী বড়ো, লৱণ কলিতা, আইনাল হক, ধ্ৰুৱ চৌধুৰী, পবিত্ৰ ঠাকুৰীয়া, জ্ঞানেন্দ্ৰ ৰাভা, ধীৰেন চৌধুৰী, ধীৰেন কলিতা, কৰ্ণভূষণ ৰাভা, নলিনী কলিতা, মহেশ দাস, ভৱানী দাস, নৱ

ঠাকুৰীয়া, হংসধৰ দৈমাৰী, ব্ৰজেন তালুকদাৰ, খনিন মহন্ত, খনিন ৰাভা আৰু ভৰেন ঠাকুৰীয়া। ছাত্ৰীসকল হ'ল- সাবিত্ৰী চক্ৰবৰ্ত্তী বাইদেউ, হীৰণ, কিৰণ, কনক বাইদেউ আৰু বান্ধৱী ক্ৰমে - ভাৰতী দাস, নলিনী গোস্বামী, নীলিমা চৌধুৰী, খুৰচিদা বেগম, জাহানাৰা বেগম, দিপালী দাস, ৰীণা দাস, তিলোত্তমা দাস, মীনা দুৱৰা, হীৰা ৰাভা ইত্যাদি। সামৰণি অনুষ্ঠানত গুৱাহাটী বিশ্ববিদ্যালয়ৰ যুৱ কল্যাণ বিভাগৰ অধিকৰ্তা মাননীয় ভুৱন চন্দ্ৰ দাসদেৱে উপস্থিত থাকি আমাৰ কলেজৰ ছাত্ৰ-ছাত্ৰীসকলে NSS কেম্পৰ জৰিয়তে শ্ৰমদান কৰি যি আদৰ্শ দাঙি ধৰিলে তাৰ বাবে ভূয়সী প্ৰশংসা কৰে।

১৯৭৮ চনৰ ৭ এপ্ৰিল তাৰিখে গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত হোৱা Special NSS কেম্পত মদন কাকতি চাৰৰ তত্বাৱধনাত ১২ জনীয়া দল এটি আমাৰ কলেজৰ পৰা অংশ গ্ৰহণ কৰো- ভবেন ঠাকুৰীয়া, ভাৰত চৌধুৰী, ধীৰেন কলিতা, খনিন ৰাভা, চামাদ আলী, ধ্ৰুৱ চৌধুৰী, মহেশ দাস, গণেশ সিং ৰাভা, নৰ ঠাকুৰীয়া, হীৰা ৰাভা, ৰঞ্জুৰাণী কলিতা, মঞ্জুলা দাস। ইয়াত ৩২ খন কলেজে অংশগ্ৰহণ কৰিছিল।

৮/৪/৭৮ ইং শনিবাৰ ৰাতিপুৱা বিশ্ববিদ্যালয় চৌহদ ঘূৰি প্ৰভাত বন্দনাত 'ৰঘুপতি ৰাঘৱ ৰাজা'ৰ নাম গোৱা হয়। ৮ বজাত সাধাৰণ সভা নৰ্থ গৱাহাটী কলেজৰ ছাত্ৰী জোনালী বৰাই গোৱা এটি বৰগীতেৰে মুকলি কৰা হয়। গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হিতেন বৰুৱাই NSS কেডেটসকলৰ উদ্দেশ্যে ভাষণ দিয়ে। সভাত ৰাজকুমাৰ সুৰেশ্বৰ গোঁহাই, শ্ৰদ্ধানন্দ দুৱৰা (সম্পাক গুঃ বিশ্ববিদ্যালয়), কৈলাশ চন্দ্ৰ ভট্টদেৱৰ (কল্যাণ পঞ্জীয়ক, গুঃ বিঃ) সাৰুৱা ভাষণেৰে সভা অন্ত পৰে। ৯ বজাত A.T. Hostel চৌহদ চাফা কৰো। আবেলি ২বজাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ বিৰিঞ্চি কুমাৰ বৰুৱা প্ৰেক্ষাগৃহত Seminar On Mahatma Gandhi's life and Teaching ৰ ওপৰত বক্তব্য ৰাখে উপাচাৰ্য ড০ হিতেন কুমাৰ বৰুৱা, ড০ সুশীল নায়াৰ, অসমৰ মুখ্য মন্ত্ৰী গোলপ বৰবৰা, অধ্যাপক এচ. চন্দ্ৰ চন্দ্ৰশেখৰ, ড° পি. এচ ৰেড্ডি, কে, চি ভট্টাচাৰ্যই।

সন্ধিয়া উত্তৰ গুৱাহাটীৰ কলেজৰ ছাত্ৰ-ছাত্ৰীসকলে গোৱা এটি সমবেত গীতেৰে সভা মুকলি কৰা হয়। গুৱাহাটী বিশ্ববিদ্যালয় যুৱক কল্যাণ বিভাগৰ সঞ্চালক মাননীয় ভূপেন দাসদেৱে NSS অৰ্থাৎ জাতীয় সেৱা বাহিনীৰ মূল উদ্দেশ্য ব্যাখ্যা কৰি কয় যে এই আঁচনি হ'ল শিক্ষামূলক। ১৯৬৯ চনত মহাত্মা গান্ধী চেমেনিয়াৰ অনুষ্ঠিত হয় আৰু তেতিয়াৰ পৰাই জাতীয় সেৱা বাহিনী (NSS) জন্ম হয়। ৰাতি সাংস্কৃতিক অনুষ্ঠানত আমাৰ কলেজৰ ছাত্ৰী হীৰা ৰাভাই এটি ৰাভাগীত আৰু মই প্ৰিয় শিল্পী জয়ন্ত হাজৰিকাৰ 'কেতিয়াবা বেজাৰতে টোপনি নাহিলে মোৰ' আৰু 'লুইতৰ বলিয়া বান' গীত দুটি গাওঁ।

৯/৪/৭৮ ইং তাৰিখ ৰবিবাৰ ঃ ৰাতিপুৱা কাম শেষ কৰি উঠি প্ৰত্যেক দলে নিজৰ নিজৰ উপস্থিতি দিয়া হয়। ৭ বজাত বিশ্ববিদ্যালয় চৌহদৰ বজাৰখন চাফা কৰোঁ আৰু A.T. Hostel লৈ যোৱা পথটোত মাটি, শিল, ইটাৰে মেৰামতি কৰোঁ। মাজতে লঘু আহাৰ খাই আকৌ বিশ্ববিদ্যালয়ৰ ছোৱালী হোষ্টেলৰ ভিতৰত চাফাই কাম কৰি উঠি এ.টি. হোষ্টেললৈ ঘূৰি আহি দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰে। আবেলি ২ বজাত আমাৰ কলেজৰ ছাত্ৰ-ছাত্ৰীসকলে পৰিৱেশন কৰা এটি সমবেত গীতৰে সভা আৰম্ভ হয়। আজি সভাৰ সভানেত্ৰী মাননীয়া চেনেহী বেগম বাইদেউ (গুৱাহাটী সন্দিকৈ ছোৱালী কলেজ)। সভাত মহাত্মা গান্ধীৰ কৰ্মময় জীৱন সম্পৰ্কে বহল আলোচনা হয়। গান্ধীৰ জীৱন চৰিত্ৰৰ ওপৰত সাৰুৱা ভাষণ দিয়ে মঙ্গলদৈ কলেজৰ অধ্যাপক ৰজনী শৰ্মাদেৱে। আমাৰ কলেজৰ ছাত্ৰ ধ্ৰুৱজ্যোতি চৌধুৰীয়েও মনোগ্ৰাহী ভাষণ দিয়ে। হীৰা ৰাভাই এটি আধুনিক গীত গায়। সভাৰ শেষত এন. এছ. এছ. শিৱিৰত অংশগ্ৰহণ কৰা কলেজ কেইখনৰ অধ্যাপক আৰু ছাত্ৰ-ছাত্ৰীসকলৰ গ্ৰুপ ফটো তোলা হয়। সন্ধিয়াৰ সাংস্কৃতিক অনুষ্ঠানত আমাৰ কলেজৰ ছাত্ৰী মঞ্জুৰাণী কলিতা আৰু মঞ্জুলা দাসৰ বিহু নাচে আনন্দ দিয়ে। আজি আমাৰ E দলৰ ৰাতি আহাৰ দিয়াৰ দায়িত্ব পৰে।

১০/৪/৭৮ ইং সোমবাৰ ঃ ৰাতিপুৱা চাহ খোৱা শেষ কৰি ৭ বজাত হৰিজন বস্তিত চাফাই কাম কৰা হয় ১১ বজালৈ। দুপৰীয়াৰ আহাৰ খাই কিছুসময় জিৰণি লোৱা হয়। আবেলি ২-০০ বজাত আকৌ আলোচনা সভা আৰম্ভ হয় আৰ এচ. কলেজৰ ছাত্ৰ-ছাত্ৰীসকলে পৰিৱেশন কৰা সমবেত গীতেৰে। বিভিন্ন কলেজৰ ছাত্ৰ-ছাত্ৰীয়ে এন. এচ. এচ শিৱিৰত কাম কৰাৰ অভিজ্ঞতাৰ কথা ব্যক্ত কৰে। আমাৰ কলেজৰ ছাত্ৰ ধ্ৰুৱজ্যোতি চৌধুৰীয়ে বকো অঞ্চলত NSS কেডেটসকলে কল্যাণমূলক কাম কৰাৰ কথা ব্যক্ত কৰে। আবেলি ৪-৩০ বজাত বিশ্ববিদ্যালয় খেলপথাৰত ফুটবল খেল অনুষ্ঠিত হয়। সন্ধিয়া ৬-০০ বজাৰ সভাত বিশিষ্ট অতিথি অমল প্ৰভা বাইদেৱে মহাত্মা গান্ধীৰ

জীৱন দৰ্শনৰ ওপৰত ভাষণ ৰাখে। ৰাতি সামৰণি সাংস্কৃতিক অনুষ্ঠানৰ আৰম্ভণি গীতটি পাঁচখন কলেজৰ ছাত্ৰ-ছাত্ৰীসকলে (প'ল ৰবচনৰ We shall over come') পৰিৱেশন কৰোঁ। তাৰ পিছত আমাৰ কলেজৰ পৰা মই জয়ন্ত হাজৰিকাই গোৱা 'মায়াময় ৰূপালী জোনাক' হীৰা ৰাভাই ৰাভা গীত, ৰঞ্জুৰাণী কলিতাই আবৃত্তি আৰু মঞ্জুলা দাসে আধুনিক নৃত্যৰে সকলোকে মুগ্ধ কৰে। আৰ. এচ, কলেজৰ বাইদেউ এগৰাকীয়ে ৰবীন্দ্ৰ সংগীত পৰিশেন কৰে। টংলা কলেজৰ অধ্যাপক বিনয় কৃষ্ণ মেধি চাৰে প্ৰত্যেক দিনৰ সাংস্কৃতিক অনুষ্ঠানত একৰডিয়ানত বিভিন্ন গীতৰ সুৰৰ লহৰ তুলি সকলোকে মুগ্ধ কৰিছিল।

১১/৪/৭৮ মঙ্গলবাৰ ঃ ৰাতিপুৱা প্ৰাৰ্থনা শেষ হোৱাৰ পিছত দলবিলাকৰ হাজিৰা লোৱা হয়। এ. টি. হোষ্টেল চৌহদ চাফাই কাম শেষ হোৱাৰ পিছত NSS শিবিৰত অংশ গ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীসকলক একোখন প্ৰমাণ পত্ৰ দিয়ে। যুৱক কল্যাণ বিভাগৰ অধিকৰ্তা ভূপেন চন্দ্ৰ দাসদেৱে সামৰণি শিবিৰত সকলোকে ধন্যবাদ জ্ঞাপন কৰি বিদায় সম্ভাষণ জনাই শিবিৰ সামৰণিৰ ঘোষণা কৰে। প্ৰতিখন কলেজৰ ভাৰপ্ৰাপ্ত অধ্যাপক আৰু ছাত্ৰ-ছাত্ৰীসকলে বেডিং পত্ৰ লৈ নিজৰ ঠাইলৈ বাছেৰে যাত্ৰা কৰো।

সদৌ শেষত জাতীয় সেৱা আঁচনি ( NSS) শিবিৰত অংশ গ্ৰহণ কৰাটো সৌভাগ্যৰ কথা বুলি মই ব্যক্তিগত ভাৱে অনুভৱ কৰো। কিয়নো ইয়াৰ জৰিয়তে বহু অভিজ্ঞতা হয় আৰু বিভিন্ন ছাত্ৰ-ছাত্ৰী, অধ্যাপকৰ লগতে বিভিন্ন অঞ্চলৰ ৰাইজৰ সৈতে এটি মধুৰ সম্পৰ্ক গঢ় লৈ উঠে। গুৱাহাটী বিশ্ববিদ্যালয়ত আমাৰ জে. এন. কলেজৰ বিশেষ এখন সুকীয়া আসন দখল কৰিবলৈ সমৰ্থ হৈছিলোঁ। আমাৰ উত্তৰ পুৰুষে NSS ৰ জৰিয়তে কলেজৰ মান বঢ়াবলৈ যত্ন কৰিব- ইয়াকে আশা কৰি বৈ যোৱা ভুল ত্ৰুটিৰ বাবে ক্ষমা-প্ৰাৰ্থনা বিচাৰি জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ উত্তৰোত্তৰ কামনা কৰিলোঁ।


*With best compliments from-*

# BOKO MUSIC & ART SCHOOL

Affiliated to Pracheen Kala Kendra, Chandigarh
Recognised by Various State Govt. Universities, Education Board
Govt. of India
**Centre Regd. No. 5332 i**
**Barpara, Boko, Kamrup (Assam)**
**Pin- 781123**
**Venue- Boko M.V. School, Boko**

Classes - K.D. (Kala Darshan) to 5th Yrs. CH.B (Chitra Bisharad)
Classes are Taken on **Saturday & Sunday** of Every Week
Students are admitted in **January and July** of every Year

**Contact : Mr. Rupen Ch. Rabha, i/c**

# ৰূপালী স্মৃতি, সোণালী অভিজ্ঞান

বিজয়া ডেকা
সহযোগী তথা মুৰব্বী অধ্যাপিকা
শিক্ষা বিভাগ

"May I Come in Sir?"

অধ্যক্ষ মহোদয়ৰ কোঠাৰ দুৱাৰমুখতে ৰৈ সুধিলোঁ।

'আহা আহা, মইনা তেনেই সৰু ছোৱালী।'

মই ভয়ে ভয়ে অধ্যক্ষ মহোদয়ৰ কোঠালৈ সোমাই গ'লো। Joining Letter খন তেখেতলৈ আগবঢ়াই দিলোঁ। টেবুলত থকা নাম ফলকখনত চকু পৰিল-

**J.C. Nath, M.A. (BHU), Principal**

Joining Letter খন চাই তেখেতে ক'লে

'এনেকৈ নহ'ব। এইদৰে লিখা।'

তেখেতে লিখি দিয়া মতে মই পুনৰ Joining Letter খন লিখি দিলোঁ।

ওচৰতে বহি থকা ছাৰ এজনে আখৰকেইটা দেখি ক'লে- ' আখৰ কেইটা ভালকৈ লিখা।'

নাৰ্ভাচ হ'লো।

পিছত জানিলো তেওঁ অৰ্থনীতি বিজ্ঞানৰ মুৰব্বী অধ্যাপক শৰৎ চন্দ্ৰ তালুকদাৰ।

সেয়া আছিল, জৱাহৰলাল নেহৰু মহাবিদ্যালয়ত যোগদান কৰিবলৈ অহা প্ৰথম দিনটোৰ অভিজ্ঞতা। দিনটো ১৯৮৯ চনৰ ১ আগষ্ট।

পিছত দেখিছিলো শৰৎ চন্দ্ৰ তালুকদাৰ ছাৰৰ হাতৰ আখৰ সঁচাকৈয়ে বৰ ধুনীয়া। গোট গোটকৈ আৰু পৰিপাটিকৈ লিখা তেওঁৰ অভ্যাস।

এসপ্তাহমান পিছৰ কথা। এদিন ক্লাছ কৰি আহি শিক্ষক জিৰণি কোঠাত সোমাইছোহে মাত্ৰ মোক দেখি তালুকদাৰ ছাৰে কলে- 'তোমালৈ বাট চাই আছোঁ। উমেশ দিয়াচোন উলিয়াই '

উমেশ মানে উমেশ চন্দ্ৰ কঁৰ। ইংৰাজী বিভাগৰ অধ্যাপক। কঁৰ ছাৰে মুগা বৰণীয়া এন্‌ভেলপ্ এটাৰ পৰা 'ৰাখী' এটা উলিয়াই মোলৈ আগবঢ়াই দিলে। ক'ৰ ছাৰৰ সোঁহাতত ৰাখীটো বান্ধি দিলোঁ।

'আজি ৰাখী পূৰ্ণিমা। কঁৰৰ উৰিষ্যাৰ ঘৰৰ পৰা ভনীয়েকে ৰাখী এটি পঠাইছে। এই ৰাখী বান্ধি তুমি আৰু কঁৰ ভাই-ভনী হ'লা।' তালুকদাৰ ছাৰে ক'লে।

ক'ৰ ছাৰ গুচি কঁৰ দা হ'ল। সেইদিনাৰে পৰা এই সম্বন্ধ আজিলৈকে অটুত আছে।

কেইদিনমান পিছৰ কথা। ক্লাছ শেষ হোৱাৰ পিছত ঘৰলৈ যাবলৈ ওলাই আহিলোঁ। গেটৰ ওচৰ পাওঁতেই দেবেন শৰ্মা ছাৰে মাত দিলে - "বিজয়া ৰ'বাচোন, এইখিনিতে চহী এটা কৰা।" কিহৰ চহী নুসুধিলোঁ। আঁঠুৰ ওপৰতে বহীখন লৈ চহী কৰি দিলোঁ। দুদিনমান পাছত অধ্যক্ষ ছাৰে মাতি পঠিয়ালে। বুকুখনত দুবাৰমান ফু মাৰি ছাৰৰ ওচৰ পালোঁ।

'এনেকৈ চহী কৰে নেকি?'

একো নুবুজি ছাৰৰ মুখলৈ চালোঁ। বহীখন দেখুৱাই ক'লে 'এইফালে মানে সোফালে চহী কৰিব লাগে।'

তেতিয়াহে উৰহি গছৰ আঁতিগুৰি পালোঁ। দেবেন শৰ্মা ছাৰে সেইদিনা মোক Service Book-ত চহী কৰিব দিছিল। বহীটো তেখেতে নিজে কিনি আনি দিছিল। শৰ্মা ছাৰ তেনেকুৱাই আছিল। আনক সহায় কৰি ভাল পায়। ছাৰ আছিল সব্যসাচী। সোঁ-বাওঁ দুয়োখন হাতেৰে লিখিব পাৰিছিল। শ্ৰেণীকোঠাত ব'ৰ্ডত আখৰ লিখোতে দুয়োখন হাত ব্যৱহাৰ কৰিছিল।

কেইদিনমান যোৱাত গম পালোঁ কলেজৰ ৰূপালী জয়ন্তী সমাগত। লাহে লাহে ৰূপালী জয়ন্তীৰ কাম-কাজ আগবাঢ়িবলৈ ধৰিলে। মই তেতিয়া ধূপধৰাৰ পৰা অহা-যোৱা কৰিছিলোঁ। দাদা-বৌৰ লগত থাকো। দাদা মদন চন্দ্ৰ ডেকা সেই সময়ৰ ৰংজুলি ৰাজহ চক্ৰৰ চক্ৰ বিষয়া, বৌ আলপনা ডেকা সৰকাৰ বিকালী কলেজৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা। এদিন তালুকদাৰ ছাৰ আৰু বুৰঞ্জী বিভাগৰ মুৰব্বী

অধ্যাপক দ্বিজেন দাস ছাৰ মোৰ লগতে দাদা-বৌক লগ কৰিবলৈ ধুপধৰালৈ গ'ল। উদ্দেশ্য ৰূপালী জয়ন্তীৰ বাবে টকা সংগ্ৰহ কৰা। চাহ-তোমোল খোৱাৰ পিছতে তালুকদাৰ ছাৰে আগমনৰ উদ্দেশ্য ব্যক্ত কৰি পইচা তোলাৰ বাবে দাদাক ৰিচিপ বুক এটা দিলে। দাদায়ো আগ্ৰহেৰে বহীটো ল'লে। দাদাই সময়ত পইচা কিছু তুলি দিলে।

কলেজত এটা উৎসৱমুখৰ পৰিৱেশ সৃষ্টি হ'ল। গীতৰ আখৰা, সমবেত সংগীতৰ আখৰা। মহাবিদ্যালয়খনত নতুন বাবে কোনো কথাৰ একো আও-ভাও পোৱা নাছিলো। তাতে আকৌ শিক্ষা বিভাগৰ মুৰব্বী অধ্যাপিকা ৰূমিতা ফুকন বাইদেউ Maternity Leave -ত গ'ল। শিক্ষা বিভাগত অকলশৰীয়া হৈ পৰিলোঁ। এদিনতে পাঁচ-ছয়টা ক্লাছ কৰিব লাগে। সকলোৱে সাহস দিছিল। সেই সময়ত শ্ৰেণীসমূহ পুৱা ৮-৩০ বজাতে আৰম্ভ হৈছিল।

মহাবিদ্যালয়খনৰ ১আগষ্ট (১৯৮৯ )ৰ দিনা ৰূপালী জয়ন্তী বৰ্ষ পূৰ হৈছিল। যিহেতু কলেজৰ নামেই জৱাহৰলাল নেহৰু মহাবিদ্যালয়, গতিকে নেহৰুৰ জন্ম শতবাৰ্ষিকীৰ লগত মিলাই ১৪, ১৫, ১৬ নৱেম্বৰৰ দিনা কলেজত ৰূপালী জয়ন্তী পালন কৰা হৈছিল। ৰূপালী জয়ন্তী উৎসৱলৈ আমন্ত্ৰণ কৰিছিল অসমৰ বহুজন গুণী,জ্ঞানী ব্যক্তিক। মোৰ এতিয়াও স্পষ্টকৈ মনত আছে স্বনামধন্য সাহিত্যিক তথা ৰাজনীতিবিদ লক্ষ্যধৰ চৌধুৰীৰ সেইদিনাৰ বক্তৃতাৰ কথা। কলেজৰ পুবফালে থকা খেলপথাৰখনত দক্ষিণমুৱাকৈ মঞ্চখন সজা হৈছিল। ৰূপালী জয়ন্তীৰ তিনিদিনীয়া কাৰ্যসূচীত এদিন নতুন শিক্ষকৰ ভাষণ ৰখা হৈছিল। বাধ্যত পৰি ভয়ে ভয়ে উঠি গৈ দুআষাৰমান কৈছিলো। ৰূপালী জয়ন্তী সমাবোহলৈ অহা পুৰণি শিক্ষক ছাত্ৰ-ছাত্ৰীসকলোৰে মুখত স্মৃতি ৰোমন্থন। সকলোৰে মুখত কলেজখনৰ প্ৰশংসা। শিক্ষকসকলৰ গুণানুকীৰ্তন। প্ৰাকৃতিক পৰিৱেশৰ বৰ্ণনা। সঁচাকৈয়ে কলেজৰ চাৰিও দিশৰ অপৰূপ সৌন্দৰ্য ভাষাৰে প্ৰকাশ কৰিব নোৱাৰি। ৰাধাচূড়া, কৃষ্ণচূড়া, একাছিয়া, নাহৰ, শাল-চেগুণৰ শাৰী। নয়ন জুৰুৱা দৃশ্য।

ৰূপালী জয়ন্তীৰ পিছত পুনৰ কজেলৰ কাম গতানুগতিক ভাৱে আগবাঢ়িব ধৰিলে। পৰীক্ষাৰ সময় আহিল। এদিন দ্বিজেন দাস ছাৰৰ লগত মোৰ পৰীক্ষাৰ ডিউটি পৰিল। পাঁচ নম্বৰ কোঠা। ডিগ্ৰীৰ পৰীক্ষা। নিৰ্দিষ্ট সময়ত দাস ছাৰৰ নিৰ্দেশমতে বহী বিলালোঁ। ছাৰে প্ৰশ্নকাকতবোৰ ঠিক কৰি আছিল। কেইজনমান ছাত্ৰ-ছাত্ৰীৰ মুখত মিচিক-মাচাক হাঁহি। দাস ছাৰে সুধিলে- পৰীক্ষা হলত কিহৰ হাঁহি।' ছাৰৰ কথা শুনি এজন ছাত্ৰই ক'লে- 'নহয় মানে ছাৰ, আপোনালোক দুয়োকে দেখি হাঁহি উঠিছে। মানে- আপুনি ই-মা-ন ওখ আৰু বাইদেউ তেৰেং চাপৰ।'

'হ'ব হ'ব, বয়স হ'লে বাইদেউ ওখ হ'ব। তোমালোকে এতিয়া পৰীক্ষা ভালদৰে লিখা। আন কথা ভাবিব নালাগে।' ছাৰে বোধহয় মোকা শান্তনা দিয়াৰ বাবেই কৈছিল। ঠাণ্ডা দিন যদিও ঘাঁম ওলাল। লাজে ভয়ে আগুৰি ধৰিলে। পৰীক্ষাৰ বহীৰ কোনখিনি ঠাইত চহী কৰিম, এডমিট কাৰ্ডত কি কি চাব লাগিব দেখুৱাই দিলে। দাস ছাৰৰ নিৰ্দেশমৰ্মে বহীত চহী কৰিব ধৰিলোঁ। সেই ছাত্ৰজনৰ ওচৰ পাওঁতে কঁপনি উঠা যেন লাগিল। ভয়ে ভয়ে এডমিট কাৰ্ডখন চালোঁ। ডেট অব বাৰ্থ। মোতকৈ ছাত্ৰজন ভালেমান বছৰ ডাঙৰ। নামটো এতিয়াও মনত আছে। ঘৰলৈ আহি ৰাতি শুৱৰ সময়ত নেদেখা জনক প্ৰাৰ্থনা কৰিলোঁ - 'হে ভগৱান! আৰু যেন পৰীক্ষাৰ ডিউটি ভাগত নপৰে।' দ্বিজেন দাস ছাৰ সঁচাকৈয়ে ওখ। মোৰ মূৰটোৱে ছাৰৰ বুকু ঢুকি নেপাব যেন লাগে।

দিন আগবঢ়াৰ লগে লগে মহাবিদ্যালয়ৰ এজন বুলি উপলব্ধি কৰিব ধৰিলোঁ। সকলোৰে মুখে মুখে শুনো অধ্যক্ষ শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথ মহোদয় বৰ কাঢ়া। সময়মতে শ্ৰেণী সমূহলৈ যোৱা, চি. এলৰ বাবে আগতেই দৰ্খাস্ত দিয়া, বিভাগীয় এজনৰ অনুপস্থিতিত আনজনে শ্ৰেণীসমূহ কৰা, পুথিভঁৰাললৈ নিয়মীয়াকৈ যোৱা আদি কথাত বৰ গুৰুত্ব দিছিল। প্ৰশাসক হিচাপে তেখেত বৰ কাঢ়া। অৱশ্যে ব্যক্তি হিচাপে তেখেত বৰ মৰমিয়াল। সেইকথাও উপলব্ধি কৰিব ধৰিলোঁ।

শিক্ষক জিৰণি কোঠাত আমি নতুনবোৰে সদায় মনে মনে আছিলোঁ। বিশেষকৈ ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক দিলীপ দাস ছাৰ উপস্থিত থাকিলে আমি বৰ সচেতন হৈ পৰিছিলোঁ। তেখেতে বৰ গহীনভাৱে থাকে। এদিন কোনোবা এগৰাকীয়ে ক'লে- 'দিলীপ দাস ছাৰৰ আগত গানৰ কথা উলিয়াব লাগে। সকলো ঠিক হৈ যাব।' পিছলৈ আমি এই উপদেশ মানিবলৈ চেষ্টা কৰিছিলোঁ। আমাৰ এজনে সুৰুণ্ডা পালে গুণ গুণায়- 'বহু দিন বকুলৰ মালা গঁঠা নাই।' লগে লগে দিলীপ দাস ছাৰে মাত লগায় - 'সুৰটো হোৱা নাই। এনেকৈ গোৱাচোন ........ ।' দাস ছাৰে সুৰটো গায় শুনায়। 'গোৱাচোন গোৱা, কিমান সুৰীয়া গীত। শব্দৰ গাঁঠনিকে চাবা, নে সুৰৰ কথাকে ক'বা, নে বীৰেন দত্তৰ মাতটোকে শুনিবা।' আৰু ভূপেন হাজৰিকা, জয়ন্ত হাজৰিকা, দিপালী বৰঠাকুৰৰ গীতৰ কথা

উলিয়ালে কথাই নাই। ছাৰৰ অন্তৰখন কিমান কোমল তেতিয়াহে বুজিব পাৰি।

কলেজ সপ্তাহৰ সময়ত দেখিছিলোঁ মুজিবৰ ৰহমান ছাৰে অধ্যক্ষৰ কোঠাত কিতাপৰ মাজত বুৰ গৈ থাকে। তেতিয়াৰ দিনত বিভিন্ন বিজয়ী প্ৰতিযোগীলৈ পুৰস্কাৰ হিচাপে একোখন কিতাপহে দিয়া হৈছিল। সুন্দৰ হাতৰ আখৰেৰে ৰহমান ছাৰে বিজয়ী ছাত্ৰ-ছাত্ৰীসকলৰ নাম কিতাপবোৰত লিখিছিল। কলেজৰ ওচৰতে ঘৰ হোৱা বাবে ছাৰে কলেজলৈ সোনকালে আহিছিল আৰু ঘৰলৈ দেৰিকৈ উভতিছিল। কলেজ সপ্তাহত অনুষ্ঠিত হোৱা বিভিন্ন কাৰ্যসূচীৰ ভিতৰত 'বাতৰি পঢ়া' অনুষ্ঠানটো মোৰ প্ৰিয় আছিল। ছাত্ৰী জীৱণি কোঠাৰ তৰফৰ পৰা এই অনুষ্ঠান আয়োজন কৰা হৈছিল। আজিকালি এই কাৰ্যসূচী অনুষ্ঠিত নহয়।

দিনবোৰ আগবাঢ়িবলৈ ধৰিলে। ১৯৯১ চনৰ ৩ মে' ৰ গধূলি এক বিধ্বংসি ধুমুহা আহিছিল। কত যে গছ-গছনি উভালিল, ভাঙিল হিচাপ নাই। বহুলোকৰ ঘৰৰ টিনপাত ফুটিল, বহু দূৰলৈ টিনপাত উৰুৱাই নিলে। এই ধুমুহাত আমাৰ মহাবিদ্যালয়ৰো বিস্তৰ ক্ষতি হৈছিল। দুৱাৰ-খিৰিকি ভাঙিল, পুথিভঁৰালটো গোটেই ভাঙিল, গছ-গছনিও উভালি পৰিল। কাষতে থকা ছোৱালী হোষ্টেলটোৰো একে অৱস্থা।

ৰাতি পুৱা গৈ দেখোঁ মহাবিদ্যালয়ৰ অৱস্থা অতি শোচনীয়। কাৰো মুখত মাত-বোল নাই। সকলোৱে কিবা নহয় কিবা কামত ব্যস্ত। কোনোৱে শ্ৰেণীকোঠৰ , কোনোৱে পুথিভঁৰালৰ, কোনোৱে হোষ্টেলৰ বস্তু থিক কৰাত ব্যস্ত। ইফালে ডিগ্ৰী পৰীক্ষা চলি আছে। মোৰ ডিউটি আছিল ৫ নং কোঠত। ডিউটি ল'বলৈ গৈ দেখিলোঁ মৃগেন শৰ্মা ছাৰে ঝাড়ু এডাল হাতত লৈ কোঠাটোত সিঁচৰতি হৈ পৰি থকা আইনাৰ টুকুৰাবোৰ সাৰি আছে। ছাৰ পৰীক্ষাৰ তত্ত্বাৱধায়ক আছিল। মৃগেন শৰ্মা ছাৰক দেখিছিলোঁ সদায় চাইকেল চলাই কলেজলৈ আহে। চকুত ক'লা চশ্‌মা । শ্ৰেণীকোঠাত কিন্তু চশ্‌মা নোহোৱাকৈয়ে পঢ়ুৱায়। আনকি অৱসৰ পোৱাৰ পাছতো এতিয়াও ছাৰৰ চকুৰ দৃষ্টিশক্তি অটুত আছে।

১৯৯৮-৯৯ শিক্ষাবৰ্ষ। মহাবিদ্যালয়ৰ আলোচনী 'জৱাহৰজ্যোতি'ৰ ২১ তম্ সংখ্যা। অধ্যক্ষ ড° ৰমাকান্ত বৰুৱা ছাৰে জৱাহৰজ্যোতিৰ তত্ত্বাৱধায়িকাৰ দায়িত্ব দিলে। জৱাহৰজ্যোতি প্ৰথম মহিলা তত্ত্বাৱধায়িকা। অৱসৰ পালেও অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক তথা ভাৰপ্ৰাপ্ত অধ্যক্ষ বসন্ত কুমাৰ দত্ত ছাৰৰ কাষ চাপিলোঁ। দত্ত ছাৰে ছাত্ৰ-ছাত্ৰীৰ অকবিতাবোৰ 'কবিতা' কৰি দিলে। কিবা খোকোজা লাগিলে ছাৰক সোধো। দত্ত ছাৰে সদায় সোঁৱৰাই দিছিল - 'বিজয়া, চাবা যাতে বানান ভুল নহয়।' 'জৱাহৰজ্যোতি'ৰ Crown sizeৰ সলনি Demai sizeৰ আঁকাৰ কৰিলোঁ। সকলোৱে আদৰিলে। দত্ত ছাৰে কাম নিখুঁট হোৱাত গুৰুত্ব দিয়ে। ছাৰক দেখি আহিছোঁ সদায় বগা চাৰ্ট পিন্ধে আৰু সদায় কলেজলৈ খোজকাঢ়ি অহা যোৱা কৰে।

ৰবীন ৰাভা নামৰ ছাত্ৰ এজনে চকুত কলা চশ্‌মা পিন্ধি কলেজলৈ অহা যোৱা কৰে। এজন বন্ধুৱে সদায় ৰবীনক ধৰি আনে। তেতিয়া ৰবীন ডিগ্ৰীৰ ছাত্ৰ। ৰবীনে ভাল গান গায়। আমাৰ ঘৰলৈ মাজে মাজে আহে। এদিন আমাৰ ড্ৰয়িং ৰুমত বহি বন্ধু এজনক কোৱা শুনিলোঁ-'তোক মই সেউজীয়া ৰঙৰ চাৰ্ট চিলাই দিবলৈ কলোঁ। তই চিলাই দিলি মোক চেক চাৰ্ট।' ৰবীনৰ কথা শুনি মই আচৰিত হ'লোঁ। চকুৰে নেদেখে, অথচ ৰং চিনিব পাৰে। আচৰিত! কৌতুহল দমাব নোৱাৰি ৰবীনক শুধিলোঁ- 'ৰ-বী-ন তুমি কেনেকৈ ৰং ধৰিব পাৰা?'

'বাইদেউ, মই আগতে চকুৰে দেখিছিলোঁ। উচ্চতৰ মাধ্যমিকৰ প্ৰথম বৰ্ষত নাম লগাওতে মই আপোনাৰ আৰু ৰুমিতা বাইদেউৰ ক্লাছ পাইছিলোঁ।'

'তেনেহ'লে?'

ৰবীনে গহীন হৈ ক'বলৈ ধৰিলে- 'এদিনা খনৰ কথা, ঘৰত মই কাম কৰি আছিলোঁ। লগত সৰু ভতিজা এজন। মোৰ কিবা কথাত তাৰ খং উঠিল। তাৰ হাতত নাল নোহোৱা হাত কটাৰী এখন আছিল। খঙতে সি কটাৰীখন মোলৈ দলিয়াই দিলে। কটাৰীখনৰ জোংটো মোৰ চকু এটাত সোমাল। চকুটো ওলাই যোৱা যেন লাগিল। ধাৰাসাৰে তেজ ববলৈ ধৰিলে। আমি গাঁৱলীয়া মানুহ, তাতে দুখীয়া। দেউতাই মোৰ চিকিৎসাৰ বাবে বেছি টকা খৰচ কৰিব নোৱাৰিলে। কিছুদিন পিছত ইটো চকুৰেও নেদেখা হলোঁ। মনটো অশান্তিৰে ভৰি পৰিল। কি কৰিম, কি নকৰিম ভাবি নাপালোঁ। ভাবি ভাবি এদিন গুৱাহাটী বিশ্ববিদ্যালয়লৈ গলোঁ। তাতে শ্ৰদ্ধেয় কিশোৰী ভট্টাচাৰ্য ছাৰক লগ কৰিলোঁ। তেওঁ মোক পঢ়িবলৈ উপদেশ দিলে। ব্ৰেইলি পদ্ধতিৰে কিদৰে আখৰ চিনিব পাৰি, পঢ়িব পাৰি শিকাই দিলে। মনত প্ৰেৰণা পালোঁ। তাৰ কেইবছৰমান পিছত পুনৰ জৱাহৰলাল নেহৰু মহাবিদ্যালয়ত নামভৰ্তি কৰিলোঁ। কিন্তু আগৰ দৰে নহয়, এক নতুন ৰূপত।'

ৰবীনক শান্ত্বনা দিয়াৰ কোনো ভাষাই বিচাৰি নাপালোঁ,

মাত্ৰ কলোঁ- 'ৰবীন, ব্ৰেইলি পদ্ধতিত আখৰ লিখিবলৈ ডাঠ আৰ্ট পেপাৰ লাগে। তোমাক যিমান আৰ্টপেপাৰ লাগে সিমান দিম। পইচাৰ কথা চিন্তা নকৰিবা, মাথো পঢ়া।'

'হয় বাইদেউ। নগেন কলিতা ছাৰেও মোক মিউজিক স্কুলৰ মাচুল দিছে। আৰু লক্ষী শৰ্মা ছাৰে বুৰঞ্জীৰ কিতাপ দিছে।'

ৰবীনে বৰ যত্ন কৰি পঢ়িলে। পৰীক্ষাৰ সময়ত নিয়ম অনুসৰি ৰবীনতকৈ বয়সত সৰু এজনে লিখি দিয়ে। ৰবীনে কৈ থাকে। এনেকৈয়ে ৰবীনে বি, এ পাছ কৰিলে। পিছত শুনিলোঁ, ৰবীনে স্কুল এখনত শিক্ষকতা কৰে। সঙ্গীতৰ শিক্ষক।

ৰবীনে কলেজলৈ আহি গছৰ পুলি কেইটামান ৰুই থৈ গৈছে।

লক্ষী শৰ্মা ছাৰ বুৰঞ্জীৰ অধ্যাপক হোৱা বাবে ৰবীনক যথেষ্ট মৰম কৰিছিল, উৎসাহ দিছিল। ছাৰে সদায় কয়- 'কষ্টৰ ফল মিঠা'।

২০০২ চনৰ নৱেম্বৰ মাহ। অধ্যক্ষ ড°ৰমাকান্ত বৰুৱা ছাৰে এদিন মোক ক'লে-'আপুনি তৃতীয় গৰাকী। আগৰ দুগৰাকীয়ে নোৱাৰিব বুলি ক'লে। মই জানো, আপোনাৰ ঘৰত অসুবিধা। ল'ৰাটোৰ অসুখ, তথাপিও আপোনাক অনুৰোধ কৰিছোঁ। আপুনি না বুলি নক'ব।'

' কথাটো কিনো কওঁকচোন ছাৰ।'

'ভাৰত স্কাউট-গাইড, অসমৰ অধীনত আপুনি ৰেঞ্জাৰ লিডাৰৰ প্ৰশিক্ষণ ল'ব লাগে। আৰু কলেজত এটা টিম খুলিব লাগে।'

'মই ঘৰত সুধি চাব লাগিব। কাৰণ প্ৰশিক্ষণৰ বাবে সাতদিন বাহিৰত থাকিব পাৰিম নে নাই মই এতিয়াই ক'ব নোৱাৰিম।'

ঘৰলৈ আহি গধূলি ঘৰৰ মানুহজনক (ড° গণেশ্বৰ চহৰীয়া) কথাটো ক'লোঁ। মোৰ কথা শুনি তেখেতে উত্তৰটো এনেকৈ দিলে-'তুমি যদি স্কাউটৰ পতাকা চুই প্ৰতিজ্ঞা কৰিবলৈ পোৱা ইয়াতকৈ তোমাৰ আন কোনো কথাই মোক বেছি সুখী কৰিব নোৱাৰিব। মই যিমান কষ্ট হ'লেও বাবাক (ল'ৰাটো)চোৱা-চিটা কৰিম। তুমি কাইলৈ অধ্যক্ষ মহোদয়ক ইতিবাচক সহাৰি দিবা।'

কথামতে কাম। ভৰিৰ অসুখত ভুগি থকা মোৰ ল'ৰাটোক বিচনাতে এৰি মই ৰেঞ্জাৰ লিডাৰৰ প্ৰশিক্ষণ ল'বলৈ গ'লোঁ। ২০০২ চনৰ ডিচেম্বৰ মাহৰ ১৬ তাৰিখৰ পৰা ২০ তাৰিখলৈ ভাৰত স্কাউড-গাইড অসমৰ ৰাজ্যিক প্ৰশিক্ষণ কেন্দ্ৰ, চামতা পথাৰত প্ৰশিক্ষণ ল'লোঁ। উল্লেখযোগ্য যে এইটোৱেই আছিল অসমৰ কলেজসমূহৰ মহিলা অধ্যাপিকাৰ বাবে অনুষ্ঠিত হোৱা প্ৰথম প্ৰশিক্ষণ। অসমৰ বিভিন্ন কলেজৰ মুঠ ৩২ গৰাকী মহিলা অধ্যাপিকাই এই প্ৰশিক্ষণত অংশগ্ৰহণ কৰে।

প্ৰশিক্ষণ শেষ হোৱাত কলেজলৈ ঘূৰি আহিলোঁ। ২১/০১/২০০৩ তাৰিখে 'অমৃতপ্ৰভা ৰেঞ্জাৰ টিম' নামেৰে এটি দল গঠন কৰি এতিয়ালৈকে চলাই আছোঁ।

ৰেঞ্জাৰ লিডাৰ হিচাপে বিভিন্ন কাৰ্যসূচী তথা শিবিৰত অংশ গ্ৰহণ কৰি এই এঘাৰ বছৰে নানান ধৰণৰ অভিজ্ঞতা লাভ কৰিলোঁ। বহু গুণী-জ্ঞানী ব্যক্তিক লগ পোৱাৰ সৌভাগ্যও ঘটিল। যিবোৰ অভিজ্ঞতা আৰু নানাজনৰ দিহা পৰামৰ্শই জীৱনটোক সমৃদ্ধ কৰিছে। জীৱনটোক নতুনকৈ উপলব্ধি কৰিবলৈ, বুজিবলৈ সহায় কৰিছে। ৰেঞ্জাৰ লিডাৰ হিচাপে পোৱা এক বিৰল অভিজ্ঞতা যি মোক সদায় অনুপ্ৰাণিত কৰে উল্লেখ নকৰাকৈ থাকিব নোৱাৰিলোঁ।

৫ নৱেম্বৰ, ২০১১ চন। এই দিনটোতে অসমৰ হিয়াৰ আমঠু, বিশ্ব বৰেণ্য শিল্পী, সুধাকণ্ঠ আৰু অসম ৰত্ন ড° ভূপেন হাজৰিকাই ইহলীলা সম্বৰণ কৰে। শিল্পীগৰাকীৰ নশ্বৰ দেহ কফিনত ভৰাই ৰাইজৰ দৰ্শনৰ বাবে গুৱাহাটীৰ Judges Field ত ৰখা হয়। অসমৰ অন্যান্য ৰ'ভাৰ-ৰেঞ্জাৰ তথা লিডাৰ সকলৰ লগতে আমিও পাঁচ ঘণ্টাৰো (৯/১১/১১) অধিক সময় কফিনৰ ওচৰত সেৱা আগবঢ়োৱাৰ সৌভাগ্য লাভ কৰিলোঁ। এই কথা ভাবি কিমান সুখ অনুভৱ কৰোঁ তাক ভাষাৰে বৰ্ণনা কৰিব নোৱাৰোঁ। এই বিৰল অভিজ্ঞতা মোৰ হৃদয়ত সকলো সময়তে অনুৰণিত হৈ থাকে।

২০০৮-০৯ শিক্ষাবৰ্ষ। 'জৱাহৰজ্যোতি'ৰ একত্ৰিশ তম্ সংখ্যাৰ তত্বাৱধায়িকাৰ দায়িত্ব আকৌ এবাৰ পালোঁ। নতুন কি কৰিব পৰা যায় চিন্তা কৰিলোঁ। এদিন অধ্যক্ষ ড০ নৃপেন গোস্বামী ছাৰক ক'লোঁ- 'ছাৰ নৱাগত আদৰণি সভা উপলক্ষে প্ৰাচীৰ পত্ৰিকা সমুহৰ মাজত প্ৰতিযোগিতা পাতো।'

'যি ভাল দেখে কৰক।'

ছাৰৰ উত্তৰ সদায় এনেকুৱা। পৰালৈকে কেতিয়াও নেতিবাচক উত্তৰ নিদিয়ে। মহাবিদ্যালয়ৰ বিভিন্ন বিভাগলৈ গ'লোঁ। বিভাগীয় প্ৰধানসকলক অনুৰোধ কৰিলোঁ প্ৰাচীৰ পত্ৰিকাবোৰ প্ৰস্তুত কৰিবলৈ। সময়ত প্ৰাচীৰ পত্ৰিকাৰ প্ৰতিযোগিতা হ'ল। শিক্ষা বিভাগৰ **'Echo'**, প্ৰাণীবিজ্ঞান বিভাগৰ **'বিহঙ্গম'**, উদ্ভিদ বিজ্ঞান বিভাগৰ **'বোধিদ্ৰুম'**, পদাৰ্থ

বিজ্ঞান বিভাগৰ **'Physica'**, ৰসায়ন বিজ্ঞান বিভাগৰ **'Alchemia'**. মুল প্ৰাচীৰ পত্ৰিকাখন হ'ল 'জৱাহৰজ্যোতি' আৰু **'Mirror'** ৰ নামৰ অমৃতপ্ৰভা ৰেঞ্জাৰ টিমৰ প্ৰাচীৰ পত্ৰিকাখনে ইয়াত অংশগ্ৰহণ কৰে। ৰাজনীতি বিজ্ঞান বিভাগৰ প্ৰাচীৰ পত্ৰিকা **'Lycium'** এই প্ৰতিযোগিতাত অংশ গ্ৰহণ নকৰিলে। এই কথা ভাবি মোৰ আনন্দ লাগে। আৰু ভাল লাগে পিছৰ বছৰবোৰত বিভিন্ন বিভাগে প্ৰস্তুত কৰা প্ৰাচীৰ পত্ৰিকাসমূহ দেখি য'ত আছিল নৃতত্ব বিভাগৰ **'Evolution'**, গণিত বিভাগৰ 'প্ৰমিতি', অৰ্থনীতি বিজ্ঞানৰ **'Welfare'**, ইংৰাজী বিভাগৰ **'Chorus'** আৰু ভুগোল বিভাগৰ **'Horizon'**। উল্লেখযোগ্য যে প্ৰাক্তন ছাত্ৰ-ছাত্ৰী তথা বৰ্তমানৰ ছাত্ৰ-ছাত্ৰীসকলে লগ হৈ 'সৃষ্টিৰ দোক্‌মোকালি' নামে এখন প্ৰাচীৰ পত্ৰিকাও প্ৰস্তুত কৰিছে। আনন্দৰ কথা এই যে এইবাৰ ২০১৪ চনৰ মে' মাহত NAAC Peer Team- এ কলেজ পৰিদৰ্শন কৰাৰ সময়ত ইতিহাস বিভাগে 'ৰূপান্তৰ' আৰু অসমীয়া বিভাগে 'প্ৰত্যাশা' নাম দি আন দুখন প্ৰাচীৰ পত্ৰিকা সংযোজন কৰে। প্ৰাচীৰ পত্ৰিকা সমূহৰ নামবোৰ অতিকে শুৱলা আৰু অৰ্থযুক্ত। বৰ্তমান মহাবিদ্যালয়ত এই প্ৰাচীৰ পত্ৰিকাসমূহে ছাত্ৰ-ছাত্ৰীৰ মানসিক উৎকৰ্ষ সাধনত যথেষ্ট সহায় কৰাৰ উপৰিও বিভাগবোৰলৈ সৌন্দৰ্য কঢ়িয়াই আনিছে।

২০০৯ চনৰ ৪ চেপ্তেম্বৰৰ দিনা অধ্যক্ষ মহোদয়ে ক'লে- 'কাইলৈ ছয় গৰাকী ৰেঞ্জাৰ আনিব। মোক সহায় কৰিব লাগিব।'

পিছদিনা ৫ চেপ্তেম্বৰ। মহাবিদ্যালয়ৰ ৫নং কোঠাত 'শিক্ষক দিৱস' পালনৰ আয়োজন কৰা হ'ল। নিৰ্দিষ্ট সময়ত সভা আৰম্ভ হ'ল। কাৰ্যসূচী অনুসৰি অধ্যক্ষ ছাৰে ৰেঞ্জাৰ কেইজনীক অধ্যাপক-অধাপিকাসকলৰ হাতে হাতে একোখন শুভেচ্ছা পত্ৰ আৰু এটি কলম দিবলৈ ক'লে। আমি সকলোৱে একোখনকৈ শিক্ষক দিৱসৰ শুভেচ্ছা পত্ৰ আৰু এটি কলম পালোঁ। এই শুভেচ্ছা বাণীৰে অধ্যক্ষ ছাৰে যেন আমালৈ এটি সংবাদ প্ৰেৰণ কৰিলে। শিক্ষকৰ দায়িত্ব আৰু কৰ্তব্য সোঁৱৰাই দিলে। মুখেৰে নহয়, ইংগিতেৰে। এই বাৰ্তা বহন কৰা, চালে চকুৱোৱা শুভেচ্ছা পত্ৰখন য'ত অংকিত আছিল ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি তথা বিদগ্ধ পণ্ডিত ড০ সৰ্ব্বেপল্লী ৰাধাকৃষ্ণনৰ ফটো।

পত্ৰখনত লিখা কথাখিনি এনেধৰণৰ-

'প্ৰিয় শিক্ষক/শিক্ষয়িত্ৰী<br>
হে জ্ঞান অন্বেষণৰ যাত্ৰাৰ সহযাত্ৰী।<br>
আপোনাৰ প্ৰজ্ঞা, কৰ্মোদ্যম আৰু প্ৰাণোচ্ছল<br>
শিক্ষণ পদ্ধতি আমাৰ বাবে এক প্ৰেৰণাৰ জ্যোতি।<br>
আজিৰ এই পৱিত্ৰ শিক্ষক দিৱসত<br>
আপোনাক ধন্যবাদ জনালোঁ।<br>
...............'

আমি অভিভূত হলোঁ। মনত এক নতুন প্ৰেৰণাও পালোঁ।

এনেদৰে সময় আগবাঢ়িল। মহাবিদ্যালয়খনলৈ বহু পৰিবৰ্তন আহিল। গোটেই মহাবিদ্যালয়খনে নতুন ৰূপ ল'লে। আমাৰো মনত নতুন নতুন চিন্তাৰ উন্মেষ ঘটিল। বিগত পঞ্চাশ বছৰে অঞ্চলটোত জ্ঞানৰ আলোক বিলাই মহাবিদ্যালয়খনে আজি স্বৰ্ণ জয়ন্তী বৰ্ষ পূৰ্তি কৰিলে। মোৰো মহাবিদ্যালয়খনত অধ্যাপিকা হিচাপে যোগদান কৰা (১ আগষ্ট ২০১৪) ৰূপালী জয়ন্তী বৰ্ষ পূৰ হ'ল। অনেক মধুৰ স্মৃতিয়ে মনত অগা-ডেৱা কৰে। পঞ্চাছ বছৰৰ সময়ছোৱাত মহাবিদ্যালয়খনত পঢ়া বহু ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন দিশত নিজকে প্ৰতিষ্ঠা কৰাৰ উপৰিও নানান দিশত স্বৰ্ণাভ অভিজ্ঞানেৰে অঞ্চল তথা দেশখনত এক বিশেষ পৰিচয় লাভ কৰিবলৈ সক্ষম হৈছে। আজিৰ এই সোণালী জয়ন্তীৰ পৱিত্ৰ ক্ষণত যিসকল চিৰনমস্য ব্যক্তিৰ ত্যাগ আৰু অশেষ কষ্টৰ বিনিময়ত এই মহান অনুষ্ঠানটি গঢ়ি উঠিল তেখেত সকলোলৈকে মোৰ সশ্ৰদ্ধ প্ৰণিপাত জনালোঁ। অনাগত দিনবোৰতো ঐতিহ্যমণ্ডিত মহাবিদ্যালয়খনৰ গৌৰৱ সদায় অক্ষুন্ন থাকক। অক্ষয়, অব্যয় ভগৱানৰ ওচৰত এয়ে প্ৰাৰ্থনা।

০০০

# ৰোমন্থন

**নন্দা দেৱী**
সহযোগী অধ্যাপিকা
প্ৰাণী বিজ্ঞান বিভাগ

২০১৩ ইং চনৰ ৩ আগষ্ট তাৰিখে মহাবিদ্যালয়খনৰ মানে 'জৱাহৰলাল নেহৰু মহাবিদ্যালয়', মোৰ কৰ্মস্থলীৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি "সোণালী জয়ন্তী বৰ্ষ"ৰ শুভাৰম্ভৰ দিনটোত মৰ্মে মৰ্মে উপলব্ধি কৰিছিলোঁ সময়ৰ গতিশীলতাৰে কথা। সেয়েহে একাষাৰ লিখিবলৈ কলম হাতত তুলি ললোঁ। মোৰ কৰ্মস্থলীৰ অতীতৰ ৰূপালীৰ পৰা বৰ্তমান সোণালী জয়ন্তী বৰ্ষলৈকে এই সুদীৰ্ঘ পঁচিশ বছৰৰ স্মৃতি এতিয়াও জীৱন্ত হৈ মানস পটত জিলিকি আছে। মই জৱাহৰলাল নেহৰু মহাবিদ্যালয়ত বিজ্ঞান শাখাৰ প্ৰাণী বিজ্ঞান বিভাগত যোগদান কৰিছিলোঁ ১৯৮৯ইং চনৰ ৮ নৱেম্বৰ তাৰিখে। গুৱাহাটীৰ পৰা এই বাটে প্ৰথম আহিছিলোঁ। আগেয়ে এই দিশে অহা নাছিলোঁ গোটেই যাত্ৰাত উপভোগ কৰিছিলোঁ নৈসৰ্গিক মনোমোহা দৃশ্য (এতিয়া সেই দৃশ্য দেখা নাযায় বন ধ্বংস যজ্ঞৰ বাবে)। মহাবিদ্যালয় চৌহদ সোমাই দেখিছিলোঁ প্ৰকাণ্ড প্ৰকাণ্ড নাহৰ, দেৱদাৰু, বকুল শিলিখা, ৰাধাচূড়া, সোণাৰু আদি গছেৰে পৰিপূৰ্ণ এক সুন্দৰ মন পৰশা পৰিৱেশ (সময়ে সময়ে অহা বিধ্বংসী ধুমুহাত সেই গঠবোৰ উভালি পৰিছে)।

সোমায়েই অনুভৱ কৰিছিলোঁ কিছু উদুলি মুদুলি পৰিৱেশৰ কিবা যেন উৎসৱৰ আয়োজন। অলপ নিৰীক্ষণ কৰি জানিব পাৰিছিলোঁ মহাবিদ্যালয়খনৰ "ৰূপালী জয়ন্তী" বৰ্ষ উপলক্ষে এক আড়ম্বৰপূৰ্ণ অনুষ্ঠানৰ যো-জা চলি আছে। সকলো অধ্যাপক-অধ্যাপিকা ব্যস্ত নিজৰ নিজৰ দায়িত্ব পালনত। মহাবিদ্যালয়ত সোমায়েই মই সেই সময়ৰ অধ্যক্ষ শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথ ছাৰৰ লগত চিনাকি হৈছিলোঁ। সেইদিনা সৌভাগ্য ক্ৰমে উচ্চতৰ মাধ্যমিক, দ্বিতীয় বাৰ্ষিক ছাত্ৰ-ছাত্ৰী সকলক পাঠ পঢ়ুৱাব লগা হৈছিল (সেই সময়ত বিজ্ঞানৰ স্নাতক মহলা নাছিল)। ছাৰে সেই সময়ত শ্ৰেণীকোঠাত সোমাই ক'লে- শ্ৰেণী শেষ হোৱাৰ পিছত সমবেত গীতৰ আখৰালৈ যাব লাগিব। সেইদিনা কলেজৰ "ৰূপালী জয়ন্তী" উপলক্ষে শিক্ষক-শিক্ষয়িত্ৰীৰ এটা সমবেত সংগীতৰ আখৰা চলি আছিল, তাহানিৰ সেই ছোৱালী হোষ্টেল পিছলৈ যিটো বিল্ডিংত পদাৰ্থ বিজ্ঞান আৰু গণিত বিভাগ আছিল মোৰ ভালেই লাগিছিল, প্ৰথমদিনাই সংগীতেৰে শুভাৰম্ভ। আখৰালে গৈ চিনাকি হৈছিলোঁ অৰণী দা, মিনতি বাইদেউ, জয়শ্ৰী বাইদেউ, বিনয়া বাইদেউ, বিজয়া বাইদেউ, মৃদুস্মিতা শৰ্মা (প্ৰাঃ অধ্যাপিকা, উদ্ভিদ বিদ্যা), গীতা কাকতি (বৰ্তমান ৰঙিয়া কলেজৰ প্ৰৱক্তা), কমলেশ্বৰ ঠাকুৰীয়াদেৱ। মিৰাজ খান দা, ভাৰত চৌধুৰীদেৱ আৰু বহুতক। সকলো ব্যস্ত ছাত্ৰ-ছাত্ৰী আৰু অঞ্চলবাসী ৰাইজে অপূৰ্ব সঁহাৰি জনাইছিল ৰূপালী জয়ন্তীবৰ্ষৰ সফল সামৰণিৰ। অঞ্চলবাসী ৰাইজৰ সঁহাৰিৰ প্ৰতি আমি যথেষ্ট আকৰ্ষিত হৈছিলোঁ।

পাৰ হৈ গ'ল ৰূপালী জয়ন্তী উৎসৱ। আৰম্ভ হ'ল কৰ্মজীৱন। ১৯৮৬ চনত আৰম্ভ হয় বিজ্ঞান শাখা কেৱল উচ্চতৰ মাধ্যমিক শ্ৰেণীৰে মাত্ৰ পাঁচজন শিক্ষক-শিক্ষয়িত্ৰীৰে।

তাৰ পিছত 'সন্মান' সহ স্নাতক পাঠ্যক্ৰম খোলাৰ বহুত দিনৰ পিছত বহুতৰ অক্লান্ত প্ৰচেষ্টাত বিজ্ঞান শাখাই চৰকাৰৰ তৰফৰ পৰা ১৯৯৮ চনত ঘাটি মঞ্জুৰি লাভ কৰে। বিজ্ঞান শাখাত তেতিয়াৰ সেই পাঁচজন শিক্ষক-শিক্ষয়িত্ৰীৰ ঠাইত এতিয়া ২০জন উচ্চ অৰ্হতা সম্পন্ন শিক্ষক-শিক্ষয়িত্ৰী, প্ৰতিটো বিষয়তে 'মেজৰ' আছে, উন্নত বিজ্ঞানাগাৰ, সকলো যাৱতীয় সা-সঁজুলি, বিজ্ঞানাগাৰ সহায়ক লগতে বিজ্ঞান শিক্ষাৰ লগত জড়িত সকলো অভাৱ দূৰ কৰিব পৰাকৈ এখন পূৰ্ণ পৰ্যায়ৰ মহাবিদ্যালয়লৈ পৰিৱৰ্তিত হৈছে। এতিয়া প্ৰতিটো বিভাগতে বিভাগীয় গ্ৰন্থাগাৰ আছে। 'বিজ্ঞান চ'ৰা', প্ৰাচীৰ পত্ৰিকা,

আৰ্য্যভট্ট বিজ্ঞান কেন্দ্ৰ, কাঠফুলা খেতিৰ প্ৰশিক্ষণ কেন্দ্ৰ, বায়টেকনলজী হাব্ আদিয়ে ছাত্ৰ-ছাত্ৰীসকলৰো বৌদ্ধিক তথা মানসিক বিকাশৰ সহায়ক হৈছে।

সময়ৰ লগে লগে মহাবিদ্যালয়ৰ বহু পৰিৱৰ্তন হ'ল। ২৫বছৰ আগতে মহাবিদ্যালয়ত সোমাই দেখিছিলোঁ New building আৰু Old building (যিটোত বিজ্ঞান শাখাৰ শ্ৰেণীসমূহ হৈছিল) আচুতীয়া এটা গ্ৰন্থাগাৰ (যিটো এক বিধ্বংসী ধুমুহাত জাহ গৈছিল), অফিচ, অধ্যক্ষৰ কোঠাৰ লগতে শিক্ষকৰ বাবে এটা সমূহীয়া 'জিৰণী কোঠা' (বৰ্তমান Conference hall)। কমন ৰুমত সেই সময়ত বিভিন্ন ৰসৰ আলোচনা, খুঁহুতীয়া কথা আৰু মৰমৰ শাসন কৰা, হাঁহিৰ বন্যা বোৱাই ৰখা, হাঁহিৰ খলকনি তোলা শ্ৰদ্ধাৰ স্বৰ্গীয় মদন কাকতি ছাৰ, স্বৰ্গীয় দেৱেন শৰ্মা ছাৰ, স্বৰ্গীয় নবীন চন্দ্ৰ মুদিয়াৰ ছাৰ, দিলীপ দাস ছাৰ, বসন্ত কুমাৰ দত্ত ছাৰ, মৃগেন শৰ্মা ছাৰ, ধৰ্ম বৰুৱা ছাৰ, ভৱেশ গোস্বামী ছাৰ, স্বৰ্গীয় অকন চন্দ্ৰ পাটোৱাৰী ছাৰ, মজিবুৰ ৰহমান ছাৰ আৰু বৰ্তমানৰ শিক্ষাগুৰুসকলৰ এই মহাবিদ্যালয়ৰ প্ৰতি থকা অৱদানে অঞ্চলটোৰ উদীয়মান নৱ প্ৰজন্মক শিক্ষাৰ মানদণ্ড অটুট ৰাখি উচ্চ শিক্ষাৰে শিক্ষিত এখন আধ্যাত্মিক তথা নৈতিক ভাৱে সুস্থ-সবল সমাজ গঢ়াত অৰিহণা যোগাইছিল। ক্ৰীড়া ক্ষেত্ৰখনৰ লগতে সাংস্কৃতিক জগতখনতো ছাত্ৰ-ছাত্ৰীক আগবঢ়াই নিয়াত যথেষ্ট অৱদান আছিল সেই অগ্ৰজসকলৰ। তেখেতসকল মোৰ চিৰ নমস্য। মহাবিদ্যালয়ৰ বিভিন্ন সভা-সমিতি অনুষ্ঠানসমূহত লগ পোৱা বিভিন্ন বিষয়ববীয়া, কৰ্মকৰ্তা সকল, অভিভাৱক আৰু মহাবিদ্যালয়ৰ উন্নতিৰ লগত জড়িত বকো অঞ্চলৰ সন্মানীয় ব্যক্তিসকল-স্বৰ্গীয় অচ্যুতকান্ত অধিকাৰী দেৱ, স্বৰ্গীয় জনাৰ্দন শৰ্মাদেৱ, স্বৰ্গীয় ৰবি দাস'দেৱ, স্বৰ্গীয় লক্ষণ ৰাভাদেৱ, কাতিৰাম ৰাভা, যতীন পাঠকদেৱ, শ্ৰীযুতা প্ৰফুল্ল বালা দাস বাইদেউ আৰু বহুতো সদাশয় শুভাকাংক্ষী নমস্যসকলক শ্ৰদ্ধাৰে সুৱৰিছোঁ।

মহাবিদ্যালয়ৰ কৰ্মচাৰী স্বৰ্গীয় কনক দাস, শৈলেন শৰ্মা, ৰাধা মেধি, সৰ্বেশ্বৰ কাই, গৌতম ৰাভা, মহেশকাই চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰিলে আৰু উৰ্বশীবাই, সভাকাই আৰু আমি বহুতবোৰ আছোঁৱেই লগতে এই ২৫ বছৰত বহুত নতুন মুখ আমাৰ লগত যোগ হ'ল।

তেতিয়াৰ Old building-ৰ পিছ ফালে আছিল এখন বৃহৎ শালবাৰী যিখন এতিয়া 'ৰবৰ বাগান'লৈ পৰ্যবৰ্ত্তিত হৈছে। এতিয়া মহাবিদ্যালয়ত নতুন নতুন শিক্ষক-শিক্ষয়িত্ৰী, নতুন ঘৰ, নতুন শ্ৰেণীকোঠা Stadium, swimming pool, Gym hall, Auditorium, conference hall, Biotech bub নতুন Library নতুন অধ্যক্ষৰ কোঠা, নতুন অফিচ আদিৰে মহাবিদ্যালয় ন ন ৰূপত আগবাঢ়ি গ'ল। হাহিম চ'কৰ সৰলা বাই, দেৱলা বাইৰ দোকানৰ সলনি কলেজত ধৰ্মেন্দ্ৰৰ কেণ্টিন হ'ল তথাপিও তাহানিৰ সেই মহাবিদ্যালয়ৰ স্মৃতি মোৰ মনত সদায় যুগমীয়া হৈ থাকি গ'ল। পাহৰিব নোৱাৰা অতীত ৰোমন্থনৰে সোণালী জয়ন্তী বৰ্ষত ভৰি দিয়া মোৰ মৰমৰ মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনা কৰিলোঁ। জয়তু জৱাহৰলাল নেহৰু মহাবিদ্যালয়।

❁❁❁

জগতত মাথোন দুটাহে শক্তি আছে- তৰোৱালৰ শক্তি আৰু নৈতিক শক্তি। নৈতিক শক্তিৰ ওচৰত তৰোৱালৰ শক্তিয়ে এদিন পৰাজয় স্বীকাৰ কৰিবই লাগিব।

*- নেপ'নিয়ন ব'নাপাৰ্ট*

# স্মৃতিৰ লাড়ু ঃ গোব'দোঙা বাকাৰা

পূৰ্ণ ৰাভা
প্ৰাক্তন ছাত্ৰ তথা শাখা প্ৰবন্ধক ,
ভাৰতীয় ষ্টেট বেংক, বকো শাখা

সকলো প্ৰাণীয়েই সময়-হাতৰ পুতলা মাত্ৰ। জীৱনৰ বিৱৰ্ত্তন প্ৰক্ৰিয়াৰ প্ৰাৰম্ভৰ পৰাই চামে চামে প্ৰাণীবোৰ জন্মিছে আৰু মৰিছে। প্ৰকৃতিৰ বিৰামহীন গতি আৰু ৰূপ পৰিৱৰ্তনৰ বিচিত্ৰ আৰু প্ৰতিক্ৰিয়াশীল জাগতিকতাত হেৰাই গৈছে আৰু আৱিৰ্ভাৱ হৈছে অলেখ প্ৰাণীজগতৰ প্ৰজন্মৰ ধাৰা। সময় গছত প্ৰাণী-ফুল, ফল, গুটি লাগি সৰি সৰি পৰিছে। এয়াই প্ৰকৃতিৰ নিয়ম আৰু চিৰন্তন প্ৰক্ৰিয়া। সময়ৰ কোনোবা এটা ক্ষণত এটা প্ৰাণীৰ জন্মৰ পিছতেই সেই মুহূৰ্তৰ পৰা সেই প্ৰাণীটোৰ জীৱন চক্ৰ আৰম্ভ হয় আৰু সেই প্ৰাণীটোৰ মন, মগজুত ৰৈ যায় সময়ৰ চাপ, সময়ৰ আকৰ্ষণ বা বিকৰ্ষণ। প্ৰাণী মাত্ৰেই বুজে সময়ৰ সেই ক্ষণবোৰ ভাল লগা নে বেয়া লগা; দুখৰ নে সুখৰ, ৰোমাণ্টিক নে বিচ্ছেদৰ, ভয়াৰ্ত নে নিৰ্ভয়তাৰ। মানুহৰ বাদে সকলো প্ৰাণীয়েই কিজানি সময়ৰ এইহেন যাদুচক্ৰত সোমাই প্ৰজন্মৰ পিছত প্ৰজন্মই একে আচৰণ প্ৰকাশ কৰি আহিছে আৰু সেই বাবেই ঋতুগত একে আচৰণ দেখিবলৈ পোৱা যায়। মৃত্যুৰ মুহূৰ্তলৈ এই বিশেষ আচৰণ সচাঁকৈয়ে চিত্তাকৰ্ষক। সিহঁতবিলাকৰ নিজৰ জন্ম ঠাই মনত ৰাখিব পৰা শক্তি সচাঁকৈ বিস্ময়কৰ। কিন্তু মানুহৰ? যদিও মানুহে পৰিস্থিতিত পৰি জীৱনৰ অন্য সময়খিনি বিভিন্ন ঠাইত কটাবলগীয়া হয়, তথাপি মানুহৰ মনতো জন্ম ঠাইখিনিৰ প্ৰতি থাকি যায় অফুৰন্ত মোহ আৰু অতীত কালৰ বা শৈশৱকালৰ ৰোমাঞ্চকৰ স্মৃতিৰ সঁফুৰা। মানুহে কিমান বয়সৰ পৰা স্মৃতি মগজুত ধৰি ৰাখিব পাৰে, সেয়া অন্য এটা বিষয় হ'লেও ইয়াৰ তাৰতম্য নিশ্চয় ব্যক্তি বিশেষে ঘটিব।

অ', মই ক'ব খুজিছিলোঁ 'গোব'দোঙা বাকাৰা'ৰ বিষয়ে আৰু এইখন 'বাকাৰা'ৰ বিষয়ে ক'বলৈ গৈ পাতনি মেলিলোঁ আগৰ কথাখিনিৰে। প্ৰায়েই এটা কথাই মনলৈ আহে আৰু সেয়া হ'ল-'গোব'দোঙা বাকাৰা'খন আছিল প্ৰকৃতিৰ অকৃত্ৰিম আৰু জীৱন বিকাশ প্ৰক্ৰিয়াৰ যেন এখন আদৰ্শ স্থান আৰু সুন্দৰ এখন মনমোহা ক্ষুদ্ৰ জগত। অসংখ্য পোক-পতঙ্গ, পখিলা, ফৰিং, চৰাই, গছ-লতিকা, ডাঠ হাবিৰে ভৰি আছিল গোব'দোঙা বাকাৰাৰ আশ-পাশ। চাৰিওফালে মাথোন সেউজীয়া আৰু সেউজীয়া, চৰাইৰ মধুৰ কল-কলনি, শাল গছৰ ডাঠ হাবি, যেন অসংখ্য গছ, লতা, বিৰিখৰ জীৱন্ত দলিচাহে। অসূৰ্য স্পৰ্শা এখন ৰম্যভূমিহে যেন। চাৰিওদিশে প্ৰকৃতিৰ অপৰূপ সৌন্দৰ্যই শোভা কৰি থকা এখনি নন্দন-কাননহে। বাট-পথ বুলিবলৈ নাছিলেই। হেলচ্, বন-বগৰী, বনৰীয়া আমলখি, শালগছ, ঠায়ে ঠায়ে আম, কঠাল ইত্যাদিৰে ভৰি আছিল গোব'দোঙা বাকৰাৰ চৌপাশৰ হাবি।

বৰ্তমান পুখৰীটো থকা ঠাইখিনিতে গোব'দোঙা বাকাৰালৈ সোমোৱা পথ আছিল। পথটোৰে গৰু-ছাগলী, মানুহৰ, গৰু গাড়ী, থেলা আদি অহা-যোৱা চলিছিল বাবে দ' হৈ পৰিছিল। কাষতে আছিল এডাল সোণাৰুৰ গছ। ৩৭নং ৰাষ্ট্ৰীয় পথত তেতিয়া গাড়ী চলিছিল ৩-৪ ঘণ্টাৰ মূৰত এখন বা দুখনহে। বৰ্তমান থকা সৰু পুলটোত বৃটিছৰ দিনৰে এখনি সৰু দলং আছিল আৰু সেই দলংখনৰ নাম আছিল "কাজিলিভুঁই"। এই কাজিলিভুঁইখনি আছিল শিঙি, মাগুৰ আৰু কাৱৈ মাছৰ উজানৰ বাবে বিখ্যাত। আনকি, 'কাজিলিভুঁই'ত বিভিন্ন ধৰণৰ সাপ, ভেকুলী আৰু বনৰীয়া মেকুৰীও প্ৰায়েই দেখা গৈছিল। দুয়োকাষ আছিল জংঘলেৰে ভৰা। ৩৭নং ৰাষ্ট্ৰীয় পথটোও আছিল যথেষ্ট সৰু। জাৰাপাৰা তিনিআলিখনত তেতিয়া দুখন মাত্ৰ দোকান আছিল-য'ত আমি এটা 'নয়া পইটা'